अध्यक्ष महोदय, जब ए० जी० पी० सरकार आई थी तो असम की जनता ने सोचा था कि अब ये सरकार असम के लोगों का दुख दूर करेगी। क्योंकि जनता ने इन नव-युवकों को बड़े उत्साह से चुना था। इनका जनता में बोलबाला भी था क्योंकि पहले ये लोग आसू के सदस्य के रुप में अपना नाम काफी कमा लिया था। बाद में जब ए० जी० पी० में आए तो लोगों में इनके प्रति और आश बँध गई। और इसी कारण इनकी सरकार बन गई। लोगों को क्या मालूम था कि ये लोग सरकार बनाकर क्या क्या करतब करेंगे। ये लोग तो बहुत पहले से ही जनता को धोखा दे रहे थे। कहते थे कि असम में 80 से 90 लाख तक विदेशी है इन्हे बाहर करना होगा। जनता भी इसी भुलावे में आ गई और सोची कि चलो 90 लाख बिदेशी बाहर चले जाएगे तो यहाँ का भार कुछ कम हो जाएगा। इसी कारण आँख बंद कर के जनता ने इन्हे वोट दे दिया और उनकी सरकार बन गई। हमें भी खुशी थी कि चलो हमारे राज्य के युवकों को काम करने का मौका मिला है। पर अध्यक्ष महोदय, सत्ता के मद में ये लोग एक दम बह गए और जनता तथा जनता के कामों से इनका कोई ताल्लुक नहीं रहा। सत्ता सुख क्या चीज है इसी का मजा लेते रह गए। न तो इसको यह भी याद था कि हमने ही कहा था कि 90 लाख विदेशियों को बाहर निकालेंगे। 10 रुपये से ऊपर कोई रिश्वत नहीं ले सकता। असम चुक्ति को लागू करेंगे। नतीजा यह हुआ कि संकट कम होने के बजाय और बढ़ता ही गया।

बहुत से नवयुवक जो इस आशा में थे कि हमारे भाई सरकार में

है हम नव युवकें को नौकरी देगें इनके कारनामों को देखकर वे भी उल्टी राह पकड़ ली जिसका फल आज दिखाई दे रहा है।

अध्यक्ष महोदय, इस सदन में वे लोग तो नहीं है नहीं तो में पूछता कि कितने बिदेशी निकाले गए, कितने लोगों को रोजगार दिया गया। असम में कौन कौन सा विकास का काम किया गया। असम चुक्ति का क्या हुआ जिसकी पूरी करने की जिम्मेदारी ए० जी० पी० सरकार की थी। वे लोग करते ही क्या। विदेशी कौन है वे लोग इसी बात का पता नहीं लगा सके। उन्हें बाहर भेजने को बात तो दूर रही। रिश्वत की बात ये थी कि १० रुपये तक रिसत नहीं ले सकते। यदि इससे ऊपर लेना है तो कोई बात नहीं इसी कारण ये लोग भी इससे ऊपर रिसत लेने लगे और आराम से सरकार चलाने लगे। इस तरह राजा की देख देखी प्रजा भी अपनी मनोकामना पूर्ण करने लगी और चारों तरफ लूट मार गुंडापर्टी हो गई।

अध्यक्ष महोदय, चन्दा वसूली तो ए० जी० पी० के जमाने में एक बिना परिश्रम का धन्धा हो गया था। जब चाहें किसी के यहाँ से जबरन चन्दा वसली कर सकते हैं। वह डर के मारे उधार लेकर भी चन्दा देता। यदि नहीं देता तो उसका अन्जाम भुकतना उसे पड़ेगी ही। यही कारण था कि कितने लोग अपना धन्धा बंद कर के यहाँ से चले गए। इनकी गुंडा गर्दी से आम जनता का जीवन निर्वाह करना मुस्किल हो गया। किन्तु इनकी जेबे गरम होती रहीं। आफिस और बंगलों में अनेक तरह की सजावट, नई नई गांडियाँ बदलने लगी। सरकारी खर्च से कोई मतलब नहीं रहा। जब भी जो मन में आता वह पूरा कर लिया जाता। इस तरह सरकार का अधिकांश पैसा इन्ही के कामों में लग जाता। अध्यक्ष महोदय, मैं कौन कौन सी बातों का हवला दूँ, मैंने तो यह भी सुना था कि जब यह सरकार भंग

कर दी गयी और जनता भवन का ताला बन्द कर दिया गया।

बाद में जब ताला खोला गया तो कुछ मंत्रियों के दराज से लाखों रुपये का बंडल मिला था। इसी बात से पता चलता है कि यह सरकार कैसा काम करती थी। अध्यक्ष महोदय, आल्फा की समस्या उसी सरकार की देन है। इनके कार्यकाल में ये लोग फलते फूलते गए और अपनी शक्ति काफी बढ़ा लिए। यहाँ तक भी सुना गया है कि इनकी मदद सरकार भी करती थी। कभी यह बात पेपर में भी आया था कि किसी ने कहा है कि वही लोग सुबह में आसू के सदस्य होती हैं, दोपहर में पार्टी के सदस्य बने रहते हैं और यही लोग रात में आल्फा का काम भी करते हैं। किन्तु ए० जी० पी सरकार के चलते असम की जनता जिस मोड़ पर आ गई है वहाँ से हटाना यह एक चुनौती का कार्य होगा अन्यथा असम का रुप ही बदल जाएगा। यहाँ पर एक दूसरों के प्रति जो अलगाव की भावना पैदा कर दी गई है उसी के कारण जगह जगह पर मार-काट होते रहते हैं।

अध्यक्ष महोदय, मैं पहले ही कह चुका हूँ कि इनके बारे में कहना किसी के वश की बात नहीं है। किन्तु खुशी इसी बात से है कि हमारी जनता भी ए० जी० पी० को समझ गई और उन्हें जैसी बुलाई थी वैसे ही कान पकड़कर बाहर कर दिया। अब हमारी सरकार का यह कर्त्तव्य है कि जनता के दुख को दूर करने में अपनी कुशलता का परिचय दे ताकि जनता को अपने किए गए कार्यों पर गर्व हो और साथ ही असलियत का भी पता चल सके। अन्त में इस सरकार से फिर अनुरोध करता हूँ कि इस राज्य के विकास के लित सदा प्रयत्नशील रहे।

Mr. Speaker: Now Hon'ble Member Sri Parimal Sukla Baidya.

শ্রী পরিমল শুক্লবৈদ্য :— মাননীয় অধ্যক্ষ মহোদয়, রাজ্যপালের ভাষণের উপর যে ধন্যবাদ সূচক প্রস্তাব এসেছে এই ব্যাপারে বলতে গিয়ে প্রথমেই আমার মনে হয়েছে যে রাজ্যপাল মহোদয় যখন এই বিধান সভায় তাঁর বক্তব্য উত্থাপন করছিলেন তখন তিনি তাঁর ভাষণ পুরোপুরিভাবে পড়তে পারেন নি। মহোদয়, আপনি হয়ত সমস্ত ব্যাপারটা লক্ষ্য করেছিলেন। আপনি ঐ দিন নীরব দর্শক হিসাবে বসেছিলেন, যদিও আপনি এ ব্যাপারে সভার আরম্ভ হওয়ার পূর্ব্বে দৃষ্টিকরণ দিয়েছেন যে উত্তপ্ত পরিবেশ বা পরিস্থিতির মধ্যে রাজ্যপাল তাঁর ভাষণ পড়েছেন তা লক্ষ্য করলে বলতে হয় যে সংসদীয় গণতন্ত্র রক্ষা করা আজ একটা বড় প্রশ্ন হয়ে আমাদের সামনে দাঁড়িয়েছে। সংসদীয় গণতন্ত্র এখানে বজায় থাকবে এ ব্যাপারে সরকার আমাদেরকে আশ্বস্ত করবেন।

রাজ্যপাল মহোদয় তাঁর ভাষণে আইন শৃংখলার ব্যাপারে আমাদেরে আশ্বস্থ করেছেন। কিন্তু এই ব্যাপারে আমি বলতে চাই যে বিগত ৭ জুলাই তারিখে লামডিং এ শ্রী মনোরঞ্জন দাস নামক এক ব্যক্তির উপর কিছু সংখ্যক লোক হামলা চালায়। বিভিন্ন পত্র-পত্রিকায় যেমন পূর্বাঞ্চল প্রহরী, সময় প্রবাহ, নূতন দৈনিক এবং আরও অন্যান্য পত্র পত্রিকায় এই ব্যাপারে খবর বেরিয়েছে। কিন্তু অত্যন্ত দুঃখের বিষয় যে আমাদের এক মন্ত্রী মহোদয় এই ব্যাপারে কোনও তদন্ত না করেই কাগজে এনাউন্স করেছেন যে লামডিং শহরে এই ঘটনার প্রতিবাদে যে বাজার বন্ধ করা হয়েছে তা করা উচিত হয়নি। জনসাধারণের দাবি উপেক্ষা করে যদি সরকার পক্ষ থেকে কোনও প্রাথমিক তদন্ত না করেই বলেছেন দুইজন মাতালের ঘটনা এটা মন্ত্রীরা সেই ভাবে এটা মন্তব্য করেন এবং সত্য ঘটনাকে এড়িয়ে যাওয়ার চেষ্টা করেন, তাহলে আইন শৃংখলা রক্ষা করার ব্যাপারে আমরা কতটুকু আশ্বস্ত হতে পারবো আমি ঠিক বুজতে পারছি না। তাই মনে হচ্ছে যে আমরা যদি এই সদনের মর্য্যাদা রক্ষা করতে না পারি, এরকম যদি মন্ত্রীদের চিন্তাধারা হয় তাহলে আমরা এই পাঁচ বছর এই সদনে কাজ চালাবো কি করে? এটা একটা চিন্তার ব্যাপার।

মহোদয়, রাজ্যপালের ভাষণে বেকার সমস্যা দূর করার ব্যাপারে আমাদেরে আস্বস্ত করা হয়েছে। অত্যন্ত প্রশংসনীয় কথা যে ১০ লক্ষ বেকার যুবক যুবতী দেরে তাঁরা চাকরি দেবেন। তবে এই ব্যাপারটা যাতে কেবল আশ্বাসের মধ্যেই না রেখে কাজে পরিণত করা যায় এই ব্যাপারে নজর দেন। তবে এর সঙ্গে এটা কথা জুড়ে দেওয়া উচিত ছিল যে আসামের প্রত্যেক বেকারদের চাকুরী দেওয়ার পূর্ব মূহূর্ত পর্যন্ত যাতে তিনশ টাকা করে বেকার ভাতা দেওয়ার ব্যবস্থা করা হয়। কারণ একটা চাকরীতে এপ্লাই করতে বা ইন্টারভিউ দিতে যথেষ্ট টাকার প্রয়োজন হয়। এই কথা মনে রেখে সরকার একটা প্রস্তাব এই সদনে আনবেন এই আশা করি। তাছাড়া বরাক ভেলীর চাকুরী প্রার্থীদের বৈষম্যর কথা রাজ্যপালের ভাষণে স্বীকার করা হয়েছে। প্রকৃত পক্ষে বরাক ভেলী বৈষম্যের একটা জ্বলন্ত দৃষ্টান্ত। মহোদয়, আপনি যদি আমার সঙ্গে যান তাহলে দেখবেন যে বরাক ভেলীতে পি ডাব্লু ডি'র রাস্তা বলতে কিছুই নেই। মা-বোনরা মান সন্মান নিয়ে সেখানকার পি ডাব্লু ডি রাস্তা দিয়ে হাঁটতে পারে না। হাটুর উপর কাপড় তুলে হাটতে হয়। আপনে শুনলে আশ্চর্য্য হবেন যে আমার সমষ্টি ধলাইতে পি ডাব্লু ডি'র রাস্তায় একটাতেও গাড়ী চলে না। দীর্ঘদিন থেকে আমার সমষ্টির মানুষে A.S.T.C. র বাস দেখেনাই। অথচ সেখানে ৫ লক্ষের ও উপর মানুষ বাস করে। এই ব্যাপারে আমি অনুরোধ করব যাতে দয়া করে সরকার যুদ্ধকালীন তৎপরতার সঙ্গে বরাক ভেলীতে রাস্তা ঘাট ঠিকঠাক করেন।

মহোদয়, বিগত বন্যায় বরাক ভেলীতে যে ক্ষতি সাধন হয়েছে এই ব্যাপারে সরকারের পক্ষ থেকে খুব একটা সাহায্যের হাত প্রসারিত করা হয়নি। বিশেষ করে রাস্তাঘাটের খুব ক্ষতি হয়েছে। এই ব্যাপারে সরকার বিশেষ ব্যবস্থা নেবেন এই আশা করি।

রাস্তাঘাটের ব্যাপারে আমাদের সরকার বেশ আশ্বাস দিয়েছেন – এটা আমি লক্ষ্য করেছি। এই ব্যাপারে বরাক ভেলীর সঙ্গে রাজ্যের বাকী অংশের রেল যোগাযোগের ব্যবস্থা অত্যন্ত খারাপ। গৌহাটী থেকে শিলচরে যে রেল যোগা-

যোগ ব্যবস্থা আছে, আমার মনে হয় একটা সাইকেলে, ভাল রাস্তা থাকলে রেলের চেয়ে আগে গৌহাটিতে পৌছানো যাবে। আমি আশাকরবো যে গৌহাটি থেকে শিলচরে বিজি লাইনের জন্য কেন্দ্রের সঙ্গে অতি সত্বর যোগাযোগ করার ব্যবস্থা সরকার করবেন।

মহোদয়, রাজ্যপালের ভাষণে শারিরীক প্রতিবন্ধীদেরে ব্যাপারে কোনও উল্লেখ না দেখে বড় হতাশ হয়েছি। আমি সরকারের কাছে দাবী করবো যাতে শারিরীক প্রতিবন্ধীদের জমি দিয়ে তাদের ঘর তৈরী করার জন্য সরকার আর্থিক সাহায্য দেন এবং তাদের আশ্রয় ও পেন্সনের ব্যবস্থা করেন।

মহোদয়, শিক্ষার ব্যাপারে রাজ্যপালের ভাষনে অনেক আশ্বাস দেওয়া হয়েছে। এই ব্যাপারে আমি বলতে চাই যে কেবল ছাত্র ছাত্রীদের সুবিধা দেখলেই চলবেনা। শিক্ষক দের ব্যাপারেও যথেষ্ট চিন্তা করতে হবে। তাদের পেন্সনের বয়স বাড়িয়ে দিতে হবে অন্তত পাচ বৎসর। তাছাড়া শিক্ষক এবং শিক্ষকের মধ্যে যে বৈষম্য রয়েছে তা দূর করতে হবে। একই শিক্ষাগত যোগ্যতা থাকা স্বত্তেও বিভিন্ন শিক্ষকের বিভিন্ন পে স্কেল রয়েছে। এই বৈষম্য দূর করতে হবে। নতুবাশিক্ষক সমাজের কেবল অসুবিধা হবে না তাদের মনের মধ্যে একটা অসন্তোষ ও সৃষ্টি হবে। তাছাড়া যাদের বি টি ট্রেনিং রয়েছে অতিসত্বর তাদের নিযুক্তি দেওয়ার ব্যবস্থা করতে হবে।

মহোদয়, জনসংখ্যা বৃদ্ধি আমাদের একটা বড় সমস্যা।
আশাকরি সরকার জনসংখ্যা রোধ করার জন্য ব্যবস্থা গ্রহণ করবেন। জনসংখ্যা বৃদ্ধির একটা প্রধান কারণ হলো অবৈধ বিদেশী অনুপ্রবেশ। এই অবৈধ অনুপ্রবেশ কারীদের যত সত্বর সম্ভব ধেরে ফেরৎ পাঠাবার ব্যবস্থা এবং অবৈধ ভাবে অনুপ্রবেশ বন্ধ না করলে যতই আমরা উন্নয়ন মূলক কার্য্য-সূচী গ্রহণ করি না কেন—এগুলো বাস্তবে রূপায়িত করতে আমাদের অসুবিধা হবে। সেজন্য জন সংখ্যা বৃদ্ধির ব্যাপারে সরকার স্টেপ নেবেন বলে আশা করি। এই বলে আমি আমার বক্তব্য শেষ করছি।

মাননীয় অধ্যক্ষ : মাননীয় সদস্য শ্ৰী চামচুল হুদা।

* শ্ৰী চামচুল হুদা : মাননীয় অধ্যক্ষ মহাশয়, মই আমাৰ প্ৰফেচাৰ মুজিবৰ ৰহমান চাহাবে ৰাজ্যপালৰ ভাষণত ধন্যবাদ সুচক প্ৰস্তাৱ দিয়াত তেখেতৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য আৰম্ভ কৰিলো। অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত ৩১ টা দফা সন্নিৱিষ্ট কৰা হৈছে। এই ৩১ টা দফা আন্তৰিকতাৰে সতভাবাপন্ন আৰু সংস্কৃতি পৰায়ন ব্যক্তিয়ে যদি পঢ়ে আৰু হৃদয়ঙ্গম কৰে তেতিয়া হলে মই কম যত এনে কোনো খুট নাই। প্ৰতিজ্ঞা কৰিবলৈ কথা আছে। সংশোধন কৰিবলৈ বিৰোধী দল আছে। মাননীয় সদস্য সকলে যি কেইটা কথা প্ৰতিফলন কৰিছে মাননীয় সদস্য সকল যদি উপস্থিত থাকিলে হেতেন তেন্তে নিশ্চয় সদস্য সকলৰ মনৰ ভাৱ কিছু বুজাব পাৰিলে হেতেন। মাননীয় অধ্যক্ষ মহাশয়, আন্দোলনৰ সময়ৰ পৰা, শাসনৰ পৰা আজিলৈকে অসমৰ যি ছবি জনসাধাৰণৰ মাজত হৈ আছে সেয়া অত্যন্ত পৰিস্কাৰ। জনসাধাৰণে নানা ধৰণৰ দুস্কৃতি, অত্যাচাৰ আৰু অবিচাৰত শোষিত হোৱাৰ পিছতো জনসাধাৰণে আস্থাৰ ভোট দি দলত অধিস্থিত কৰাইছে। বহুতো আশা আকাঙখা বাস্তৱত ৰূপায়ণ কৰিবৰ কাৰণে, কথাই কামে প্ৰতিফলিত কৰিবৰ কাৰণে বিগত দিনত যি বিলাক দুস্কৃতি পৰিয়াল আৰু কিছুমান দুস্কৃতি মানুহে অসৎ উপায় হাতত লৈছিল সেই কথা অসমৰ মানুহে উপলব্ধি কৰিছে। শিক্ষিত সমাজে কৰিছে। আইনজ্ঞ সকলে উপলব্ধি কৰিছে। প্ৰফেচাৰ সকলে উপলব্ধি কৰিছে। কাকতে পত্ৰে প্ৰচাৰ কৰিছে যে সকলোকে এখন সুস্থিৰ চৰকাৰ লাগে। শাসনত অধিস্থিত কংগ্ৰেছ আই চৰকাৰৰ জৰিয়তেহে এখন সুস্থিৰ চৰকাৰৰ সম্ভৱ হব।

কংগ্ৰেছ দলৰ চৰকাৰৰ বিগত ইতিহাস আছে, এই ইতিহাস যি নাজানে তেওঁ ৰাজনীতিৰ সংস্কৃতি জানিব নোৱাৰে। আমাৰ বিৰোধী দলৰ যি সকল সদস্য আছে সেইসকলে ৰাজনীতি কৰি অভিজ্ঞ হৈছে, এই সকলে এই ইতিহাস জনা-

---

* Speech not corrected

দৰকাৰ। তেওঁলোকে স্বাধীন ভাৰতৰ, অবিভক্ত ভাৰতৰ অৰ্থাত বৃহত্তৰ ভাৰতৰ সমস্যাৰ কথা জনা দৰকাৰ।

১৯৪৭ চনত ভাৰতবৰ্ষ স্বাধীন হৈছিল এই কথা আমি সকলোৱে জানো। ১৯৪৭ চনত অবিভক্ত ভাৰতবৰ্ষ বিভক্ত হল আৰু এক শ্ৰেণীৰ মানুহক পাকিস্থানে গ্ৰহণ কৰিলে। তাৰপিছত আমাৰ যি সকল সন্তান ভাৰতবৰ্ষত জন্ম হৈছিল সেই সকলৰ শতকৰা ৭৫ ভাগৰ ১৫ ভাগ আজি কাৰ্য্যক্ষম হৈ আছে, বাকী সকল বয়োবৃদ্ধ। ১৯৪৭ চনৰ পিচত জন্ম লোৱা ৭৫ ভাগ লৰা-ছোৱালীয়ে স্বাধীন ভাৰতবৰ্ষৰ ইতিহাস জনা দৰকাৰ যাৰ কাৰণে ভাৰতবৰ্ষৰে নহয় কিন্তু বৃহত কংগ্ৰেছ পাৰ্টিৰ ওপৰত দায়িত্ব অৰ্পণ কৰি অহা হৈছে। গতিকে এইসকল লৰা ছোৱালী য়ে ভাৰতবৰ্ষৰ সংস্কৃতি আৰু ভাৰতবৰ্ষৰ ৰাজনৈতিক ইতিহাস জনা দৰকাৰ। কিন্তু আমাৰ দুৰ্ভাগ্য যে এই শতকৰা ৭৫ ভাগ লৰা-ছোৱালীৰ এনে কি শক্তি আছে যে যি কামৰ কাৰণে তেওঁলোকে স্বাধীন ভাৰতবৰ্ষৰ ইতিহাস নজনাকৈ ৰাজ শাসনত অধিষ্ঠিত হোৱাৰ সুযোগ পালে। আমাৰ অসমো তাৰ ব্যতিবেক নহল। ১৯৮৫ চনত আমাৰ অ গ প চৰকাৰ শাসনত অধিষ্ঠিত হল এক শ্ৰেণীৰ মানুহৰ প্ৰৰোচন আৰু কাৰ্য কলাপৰ পৰিনামত। আগতে নিপ্সনে কৈছিল উত্তৰ পূৱ ভাৰতবৰ্ষ অত্যন্ত চেনজিটিভ। পৃথিৱীৰ সকলো দেশৰ ৰাজনীতিৰ ভিতৰত অসম এখন সকলোতকৈ বেচি চেনজেটিব ঠাই হব। আমাৰ অসমত যোৱা ৮ বছৰ আন্দোলন হৈ গ'ল। সেই আন্দোলনৰ সময়ত বিদেশৰ পৰা অহা চুটি হাফপেন্ট পিন্ধা চাহাবে ৰাস্তাৰ ওপৰত বিক্ষোভ প্ৰদৰ্শন কৰা কাৰ্য্য সূচীৰ ফটো লৈ তাৰ বাতৰি বি বি চি ৰ যোগে পাৰ কৰি অসমৰ চেনজিটিভ পৰিস্থিতিৰ বাতৰি পৰিবেশন কৰিছিল। সুখৰ বিষয় আছিল যে ১৯৮৩ চনৰ ২৭ ফেব্ৰুৱাৰীত অসমত কংগ্ৰেছ চৰকাৰ প্ৰতিষ্ঠিত হৈছিল। এই চৰকাৰলৈ ভাৰতীয় ৰাজনৈতিক দলৰ সমৰ্থ আছিল। সেই সময় অসমত যি বিলাক দুষ্কৃতি পৰায়ণ চক্ৰ গঢ়ি উঠিছিল এতিয়াৰ মুখ্য মন্ত্ৰী শইকীয়া দেৱে সমিল মিলেৰে এটা অৱস্থালৈ অহাৰ প্ৰচেষ্টা চলাইছিল সেই অৱস্থা বাহাল থকা হলে আমাৰ এই লৰা-ছোৱালীবোৰ

দুষ্কৃতিকাৰী সকলৰ হাতৰ পৰা মুক্ত থাকিলে হেতেন। কিন্তু দুৰ্ভাগ্যৰ ফেৰ ১৯৮৫ চনত সেই শক্তি শাসনলৈ আহিল। শাসনলৈ অহাৰ তেওঁলোকৰ একমাত্ৰ পন্থা ফেচিষ্টবাদী মনোভাব, তেওঁলোকৰ মনোভাৱ আছিল বিৰোধী দলৰ মতামতক হত্যা কৰিব লাগে, ধ্বংস কৰিব লাগে। তেওঁলোকে এনেধৰণৰ ব্যৱস্থা হাতত ললে যে কোনোমতেই এটা ৰাজনৈতিক দলৰ ভূমিকা এই অসমত প্ৰবৰ্ত্তন কৰিব নোৱাৰা হল। তেওঁলোকে ফেচিষ্ট মনোভাৱ লৈ এক প্ৰান্তৰ পৰা আন প্ৰান্তৰলৈ যি বিভিষিকা সৃষ্টি কৰিবলৈ ধৰিলে সমগ্ৰ ৰাজ্যতে আইন শৃংখলাৰ অৱনতি ঘটিল।

মোৰ পূৰ্বৰ বক্তা সকলে ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ জ্ঞাপন কৰি বক্তব্য ৰাখিছে, সেই কথা মই পুনৰ দোহাৰিব খোজা নাই। কিন্তু এইটো কথা সত্য যে বিৰোধী দলৰ সদস্য সকলে যি কথা উত্থাপন কৰিছে যাৰ দ্বাৰা সদনত কাৰ্য ক্ৰমণিকাত বিধি পঠালি দিব বিচাৰিছে, সেইটো অত্যন্ত বেয়া কথা। তেখেত সকলে যি ধৰণেৰে শিক্ষা দীক্ষা আহৰণ কৰিছে সেইটো অত্যন্ত দুখৰ বিষয়। তেওঁলোকে অভিযোগ কৰি কৈছে যে ব্লেক এক্ট উঠাই লব লাগে। কিন্তু প্ৰশ্ন হৈছে অসমলৈ এই ব্লেক এক্ট আনিলে কোনে সেই কথা জনাৰ দৰকাৰ। আপোনা-লোক সকলোৱে জানে যে আবচুৱে আন্দোলন কৰিছিল আৰু এটা ৰাজনৈতিক মতাদৰ্শ দাঙি ধৰি এই আন্দোলন গঢ়ি তুলিছিল। তেওঁলোকক দমন কৰাৰ কাৰণে অ,গ,প চৰকাৰে এই ব্লেক এক্ট প্ৰবৰ্ত্তন কৰিছিল। বৰ্ত্তমান এনে এটা সময় উপস্থিত হব যি সময়ত এই ব্লেক এক্ট উঠাই লোৱাৰ প্ৰয়োজন হব পাৰে। কিন্তু এই চৰকাৰ অহাৰ লগে লগে এই ব্লেক এক্ট উঠাই লোৱাৰ নৈতিকতাৰ দাবী তেওঁলোকে তুলিব নোৱাৰে। কাৰণ অ,গ,প চৰকাৰে ১৯৮৬ চনত এই কলা আইন সমূহ প্ৰৱৰ্ত্তন কৰিছিল অ,গ,প চৰকাৰৰ দিনতে ১৯৮৬ চনত। অ,গ,প চৰকাৰৰ প্ৰিয় ছাত্ৰ নেতা মুখ্য মন্ত্ৰী আৰু গৃহ মন্ত্ৰী আছিল। তেওঁলোকক শংকৰদেৱ আৰু মাধৱদেৱৰ লগত তুলনা কৰা হৈছিল। আমি তাহা-নিখন যেতিয়া স্কুলত পঢ়িছিলো তেতিয়া আমাৰ বৈশ্য চাৰ বুলি এজন চাৰ

আছিল তেখেতেই আমাক শিকাইছিল "শংকৰ গুৰু ভৈলা অৱতাৰ সকলোকে মযিমুৰ কৰি কৰিব জগত উদ্ধাৰ"। প্ৰাক্তন মুখ্য মন্ত্ৰী আৰু প্ৰাক্তন গৃহ মন্ত্ৰী ক্ৰমে শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত আৰু ভৃগু কুমাৰ ফুকনে সেই ইতিহাসৰ শংকৰ মাধৱৰ দৰে অৱতাৰ হৈ অসমক উদ্ধাৰ কৰিব বুলি প্ৰচাৰ কৰিছিল। কিন্তু অসমক উদ্ধাৰ কৰাৰ সলনি অসমলৈ মাতি আনিলে কিছুমান কলঙ্ক। বটদ্ৰৱা সমষ্টিৰ পৰা যিজন বিধায়ক তেওঁ শংকৰ দেৱৰ জন্মক্ষেত্ৰৰ পৰা আহিছিল তেওঁ হেনো বয়োজ্যেষ্ঠ সকলৰ আগতো ছিগাৰেট খায় আৰু সেইটো কোনোবাই সহ্য কৰিব নোৱাৰিলে গাড়ীৰ পৰা নমাই দিয়ে। তেওঁক কোনোবা বয়োজ্যেষ্ঠ লোকে তুমি বুলি মাতিলে তেওঁক ঘনাই ঘনাই তুমি বুলি নকবলৈ কয়। পিতৃ সদৃশ মানুহকো সন্মান কৰিব নাজানে। তেনেকুৱা দুৰ্নীতিপৰায়ণ মনোবৃত্তিৰে তেওঁ–লোকে ৫ বছৰ এইখন দেশ শাসন কৰিলে। আজি তেখেত সকলে কলা আইন উঠাই লবলৈ কয়। অথচ আবছু আন্দোলনৰ সময়ত তেওঁলোকেই এই কলা আইন সমূহ প্ৰবৰ্ত্তন কৰিছিল। অসম বিধান সভাৰ তেতিয়াৰ অধ্যক্ষ মাননীয় শ্ৰী পুলকেশ বৰুৱাই প্ৰেছ টোকাত কৈছিল যে এই কলা আইন সমূহ অ গ প চৰকাৰৰ দিনতে আনিছে। তেখেতেই কৈছিল যে আমাৰ আন্দোলন মাত্ৰ কংগ্ৰেছৰ বিৰুদ্ধে–তেওঁলোকৰ কাৰ্য্যকালতে অসমীয়া ল'ৰা–ছোৱালীয়ে হাতত অস্ত্ৰশস্ত্ৰ তুলি লোৱাৰ প্ৰশিক্ষণ লবলগীয়া হ'ল। তেওঁলোকে আজি কি অসমীয়াৰ কাৰণে কান্দিব। ভূপেন হাজৰীকাই গাইছিল যে "আজিৰ অসমীয়াই অসমক নিচিনিলে অসম ৰসাতলে যাব"। সেই চিন্তাধাৰা তেওঁলোকৰ কলৈ গ'ল–গুৱাহাটী উচ্চ ন্যায়ালয়ত যেতিয়া এজন অধিবক্তাই বক্তৃতা ৰাখিছিল যে এয়া অসমীয়াৰ দাবী এয়া অসমৰ দাবী তেতিয়া এডভোকেট জেনেৰেল শ্ৰী অনিল ৰতন বৰঠাকুৰে কৈছিল "আপুনি ঠিক এইদৰে কবলৈ কোনে আপোনাক অধিকাৰ দিছে? কোনে আপোনাক অধিকাৰ দিলে জীৱ কান্ত গগৈৰ বিষয়ে মাত মাতি বলৈ? তেতিয়া কিন্তু মাত নাই। ৰাজ্যপালৰ ভাষণত অপহৃত বিষয়া সকলৰ বিষয়ে উল্লেখ কৰিছে, ছাৰ্গেৰ নিচিনা এজন বিদেশীলোকক হত্যা কৰাৰ কথা

কৈছে। কিন্তু সেইবিলাক কথাত বিৰোধী পক্ষৰ তৰফৰ পৰা এটা শব্দও উচ্চাৰণ নকৰিলে। এইটো বেয়া কাম হৈছে বুলি কোনেও মাত নামাতিলে। অথচ আমাৰ মুখ্য মন্ত্ৰী মহোদয়ে এই এমাহৰ ভিতৰত বহুতো আবেদন নিবেদন কৰিছে। তেখেতে আহ্বান জনাইছে আহক আমি আটায়ে লগ হৈ ভাৰতবৰ্ষৰ সাৰ্ব্বভৌমত্ব ৰক্ষা কৰো আহক। এই আহ্বান তেখেতে সকলো শ্ৰেনীৰ লোকলৈ কৰিছে। কিন্তু বিৰোধী পক্ষই তাত সহাৰি জনাইছে নে? তেখেত সকলৰ আজি কি নৈতিকতা আছে অসমৰ কাৰণে মাত মাতিবলৈ? তেখেত সকলৰ দিনত বিশ্ববিদ্যালয়ৰ চাৰ্টিফিকেট ক্ৰয় হৈছিল। কলেজত নোযোৱাকৈয়ে বিশ্ববিদ্যালয়ৰ ডিগ্ৰী লাভ কৰি তেখেত সকলৰ মাজৰ পৰা যোৱা ৫ বছৰত বহু কেইজনে এমএ এলএলবি পাছ কৰিলে। অ গ প চৰকাৰৰ মন্ত্ৰী বিধায়কৰ মাজত ফেইল কৰা কোনো কথাই নাছিল। অথচ আমি এম এ এল এল বি পাছ কৰিবলৈ কিমান কষ্ট কৰিবলগীয়া হৈছিল। আনকি তেওঁলোকৰ দিনত চাৰ্কিট হাউচত থাকোতে পৰীক্ষা দি পাছ কৰা উদাহৰণো আছে। কোনোৱাই অসুখীয়া গাৰে লিখিছে যদিও পাছ কৰিছে। অতুল কোছ নামৰ এজন মন্ত্ৰী আছিল, তেওঁ প্ৰবেশিকা পাছ হয় নে নহয় সন্দেহ, কিন্তু তেওঁ এমএ পাছ কৰা চাৰ্টিফিকেট আছিল যাৰ কাৰণে তেওঁৰ মন্ত্ৰীত্ব গ'ল। আজি অগপ বিধায়ক সকলে নাৰী ধৰ্ষণৰ কথা কৈছে কিন্তু তেওঁলোকৰ দিনত কি হৈছিল? মন্ত্ৰীয়ে মন্ত্ৰীয়নীক ধৰ্ষণ কৰিবলৈ উদ্যত হোৱা বুলিও আমি বাতৰি পাইছিলো। আনকি মন্ত্ৰীয়নীয়ে মন্ত্ৰীৰ ব্যৱহাৰত ৰব নোৱাৰি কেবিনেট ৰুমৰ পৰা ওলাই আহি বাহিৰৰ কোঠাত কান্দিবলগীয়া হৈছিল। আমি স্বীকাৰ কৰো যে সন্মুখত নাৰী দেখিলে সকলোৰে মাতিবৰ মন যায় কিন্তু এনেকুৱা বিভৎস হোৱা আমি কাহানিও আগতে শুনা নাই। আজি বিৰোধী পক্ষই নাৰী নিৰ্য্যাতনৰ কথা কৈছে কিন্তু অগপ মন্ত্ৰী সভাৰ সদস্যই গৈ মানাসত মানাস অভয়াৰন্যত বিহু নৃত্য কৰিছিল। মানাস অভয়াৰন্যত মদৰ জালাত বিদেশী মহিলাৰ লগত বিহু নৃত্য কৰোতে গাইছিল "বিদেশী হলে কি হব যদি মন মিলি যায় বিদেশীও আপোন

হব" সেইজন মন্ত্ৰীয়ে ৰাতি ১১ ৰজাত নিচাত "প্ৰেমত পগলা, গাওঁৰ ডেকা লৰা, বিদেশী মদত পগলা আমি অতি সৰু লৰা"। তেওঁলোকে আজি কেনেকৈ মহিলাৰ সন্মান ৰক্ষাৰ কথা কব পাৰে ?

আৰু আজি কয় যে মহিলা সন্মান ৰক্ষা কৰা, কথাটো আজি কংগ্ৰেছৰ ওপৰত ন্যস্ত। কংগ্ৰেছৰ দায়িত্ব জ্ঞান আছে। কংগ্ৰেছে স্বাধীনতাৰ পৰা আৰম্ভ কৰি আগন্তুক দিনলৈকে যিমান দিনলৈকে পৃথিৱী থাকিব সিমান দিনলৈকে কংগ্ৰেছৰ সাৰ্ব্বভৌমত্ব থাকিব। কংগ্ৰেছে সকলো জাতিৰ প্ৰতি সন্মান অটুট ৰাখিবৰ কাৰণে প্ৰতিজ্ঞাবদ্ধ। ১৯৪৭ চনত ভাৰতবৰ্ষ ভাৰত আৰু পাকিস্থান দুটা ভাগত বিভক্ত হল। ভাৰতবৰ্ষৰ এক শ্ৰেণী মানুহে হিন্দু ৰাজ্য কৰিব বিচাৰিছিল। কিন্তু ভাৰতবৰ্ষৰ সদভাৱাপন্ন এক শ্ৰেণী মানুহে মৌলানা হিফজুৰ ৰহমান, মৌলানা হাৰিজ ইব্ৰাহিম, আবুল কালাম আজাদ, পণ্ডিত জৱাহৰলাল নেহেৰু প্ৰমুখ্যে নেতৃবৃন্দৰ সদভাৱত ভাৰতবৰ্ষৰ অগণন ধৰ্মনিৰপেক্ষ মানুহক কেতিয়াওঁ এলাই এধানিত পেলাব নোৱাৰে। পাকিস্থান হোৱাৰ ফলত ভাৰতবৰ্ষ ধৰ্ম নিৰপেক্ষ দেশ হৈ থাকিল। আজি কংগ্ৰেছ এই কংগ্ৰেছৰ নেতৃবৃন্দৰ প্ৰতি ভাৰতবৰ্ষৰ ধৰ্মনিৰপেক্ষ অগণন মানুহ সদায় ঋণী। আজি ভাৰতবৰ্ষক কেতিয়াওঁ হিন্দু ৰাজ্য বুলি ঘোষণা কৰাৰ সুযোগ দিয়া নহয়। ফলত অগণন মুছলমান আৰু অন্যান্য ভাষা ভাষী লোক একত্ৰিত হৈ থাকিব লাগিব। আজি ৰাজ্যপালৰ ভাষণত দেখা পাইছো যে কিছুমান ৰি একচন হৈছে। কিছুমান মানুহে কিছু কথা আপত্তি কৰিছে। দুদৰ্শাগ্ৰস্ত ব্ৰহ্মপুত্ৰৰ পাৰত থকা একশ্ৰেণী মানুহ প্ৰাকৃতিক দুৰ্য্যোগৰ ফলত হাৰাশাস্তি হৈছে। তেওঁলোকৰ জীৱনক লৈ খেলা কৰিছে। বিগত দিনত আমি জানো যে মতিৰাম বৰা প্ৰমুখ্যে আৰু সেই মন্ত্ৰী সকলৰ দিনত এক শ্ৰেণীৰ মানুহ ১৯৪৭ চনৰ আগৰ পৰা ভাৰতবৰ্ষত আহি সেই সকলে সংস্থাপনৰ ব্যৱস্থা কৰিবৰ কাৰণে ব্যৱস্থা কৰিছিল সেই সকল মানুহকো পমুৱা বুলি কোৱা হৈছে। সেই সকল মানুহ বৰপেটা, নগাওঁ, লক্ষীমপুৰ আদি জিলাত বসবাস কৰি আছে। তেখেত সকলৰ

সাংস্কৃতিক সকলো কথা অসমীয়াত য'ত নেকি তেওঁলোকৰ আৰবী এডুকেচন নাই ক্লাচিকেল চাবজেক্ট হিচাপে। তেওঁলোকে সংস্কৃত পৰ্য্যন্ত পঢ়িছে। তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে মেখেলা চাদৰ পিন্ধি স্কুল-কলেজলৈ যায়। সেই সকল আজি অসমীয়াৰ চিমিলাৰেচন হৈ গৈছে। কিন্তু আজি যাৰ দাড়ি আছে, যাৰ টুপি আছে, যি লুঙী পিন্ধে তেওঁলোকক মিয়া বুলি কোৱা হৈছে আৰু য'ত কলা চামৰা খন্তি মাৰে সেইসকলক বহিৰাগত বুলি কোৱা হৈছে। গতিকে ব্ৰহ্মপুত্ৰই তেওঁলোকক উঠাই লৈ যাওঁক, তেওঁলোকক খাদ্য সামগ্ৰী দিব নেলাগে। কোনো বা ২/১ জনে আপত্তি কৰিছিল যে কংগ্ৰেছে বিতৰণৰ ক্ষেত্ৰত গণ্ডগোল কৰিছে।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৬১ চনত মৰিগাওঁ, লাহৰিঘাট এই বিলাকত প্ৰবল বানপানী হোৱাৰ কথা উল্লেখ আছে। কিন্তু এইবাৰ পানীয়ে আগৰ বাৰৰ পানীক চেৰ পেলাইছে। ৰাস্তা-ঘাট ঘৰ-দুৱাৰ উঠাই লৈ গৈছে। মানুহৰ বিলাই বিপত্তি নোহোৱা হৈছে। কিন্তু কোনো মন্ত্ৰী গৈছে? মই বিধায়ক হিচাপে আছিলো তদাৰক কৰিবৰ কাৰণে। কোনো এটা দিনত বিৰোধী দলৰ কোনো এজন সদস্যক দেখা পোৱা নগল। মাত্ৰ চি, পি, আই দলৰ মৰিগাওঁৰ বিধায়কক মই লগ পাইছিলো। এ, জি, পি ৰ ফালৰ পৰা গকুল দাস তেখেত মৰিগাওঁৰ কোনো কোনো অঞ্চলত গৈছে। কিন্তু সেই অঞ্চল বিলাকত বৰ বেছি পানী হোৱা নাই। সেই সময়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী, প্ৰাক্তন গৃহ মন্ত্ৰী বা তেনে ধৰণৰ উচ্চ ক্ষমতা সম্পন্ন ব্যক্তি আমি কাকো দেখা পোৱা নাছিলো। সেই সকল মানুহক কি উদ্ধাৰ কৰিব নেলাগে নেকি? কাৰণ তেওঁলোকৰ বিগত আন্দোলনৰ কালত সেই সকল মানুহৰ বিৰুদ্ধে বিৰুদ্ধাচাৰণ কৰা হৈছিল। নেলিয়েই কওঁক, চাউলখোৱা চাপৰিয়েই কওঁক বিভিন্ন ধৰণৰ ঘৰ-দুৱাৰ জ্বলাই দিয়া হৈছিল। তেওঁলোকৰ মাজত মানবীয়তা দৰদ নাই। তেওঁলোকৰ সাংস্কৃতি এই ক্ষেত্ৰত নাই। তেওঁলোক সংকীৰ্ণ মতাদৰ্শৰ মানুহ। আজি তেওঁলোকৰ এটা ক্ষোভ হৈছে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় শ্ৰী হিতেশ্বৰ শইকীয়া ধৰ্ম

নিৰপেক্ষ লোক। তেখেতে বিভিন্ন ভাষা-ভাষী মানুহক একত্ৰিত কৰি ৰাখিব খোজে। আমি আগৰ এ, জি, পিৰ দিনত তেওঁলোকে মাজে মাজে কোৱা শুনিছিলো আজান ফকিৰৰ কথা। আজান ফকিৰ চাহাব আছিল পীৰ। তেখেতক উচ্চ স্থান দিওঁ সঁচা। কিন্তু আজান ফকিৰ মুছলমান সকলৰ সম্পুৰ্ণ নহয়। আজান ফকিৰৰ আউটত থকা বহুতো লোকে তেওঁক গৰিয়া বুলি অভিযোগত মাতে। আৰু যিসকল গৰিয়া বাহিৰত কলা চামৰা পথাৰত থাকে খেতি কৰে তেওঁলোক মিয়া। আজি বড়ো সকলক দুভাগ কৰিলে। তেওঁলোকে কাৰ্বি আংলং বড়ো সকলক অসমৰ পৰা বিছিন্ন কৰিলে। এই এচিমিলেচনৰ কথা আমাৰ মাননীয় লিডাৰ মুখ্যমন্ত্ৰী মহোদয়ে সকলো সময়তে কৈ আহিছে যে এচিমিলেচন আৰু বিভিন্ন সংলগ্ন জাতিয়েই হৈছে অসমীয়া। কোন আগৰ, কোন পিছৰ সেইটো বিচাৰ কিন্তু কোনেও কৰিব নোৱাৰে। এজন ব্ৰাহ্মণ মানুহে কব নোৱাৰিব যে এইজন বঙালী ব্ৰাহ্মণ তেওঁলোক পিছত অহা, তেওঁলোক অসমীয়া হব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, ১৯৪৭ চনত পণ্ডিত জৱহৰলাল নেহেৰুৱে ভাৰত বাসীক উদ্দেশ্য কৰি ভাষণ দিছিল, জাতিক উদেশ্য কৰি ভাষণ দিছিল। তেখেতে কৈছিল আমাৰ ভাৰতবৰ্ষ স্বাধীন হল সঁচা কিন্তু ভাৰতবৰ্ষৰ একশ্ৰেণী মানুহে যি শ্ৰেণী মানুহ আন্দোলনৰ সময়ত যুদ্ধ কৰিছিল সেই শ্ৰেণীৰ মানুহে আজি ইয়াৰ সোৱাদ লব নোৱাৰিলে। সেইসকল মানুহলৈ আজিও আমাৰ ব্যথা লাগে। সেই সকল মানুহ যদি ভাৰতবৰ্ষলৈ আহিব খোজে তেন্তে সেইসকলৰ কাৰণে পথ সদায় খোলা থাকিব। পৰবৰ্ত্তী কালছোৱাত দেখা গল যে বঙালী হিন্দু শ্ৰেণী ভাৰতবৰ্ষলৈ আহিছে আৰু তেওঁলোকক সংস্থান কৰাৰ দায়িত্ব আহিছে। মুছলমান সকল ১৯৪৭ চনত যিসকল আহিছিল সেই সকলৰ নিজৰ নামত কোনো মাটি নাই। তেওঁলোকৰ ঘৰ-দুৱাৰ নাই, তেওঁলোক আধিয়াৰত আছিল। আমাৰ ব্ৰাহ্মণ, গোহাই উচ্চ শ্ৰেণী মানুহেও আধিয়াৰত জীৱন কটাইছিল।

যি টেনেন্চি আইন আহিছিল ১৯৭১ চনত তেতিয়া মুখ্যমন্ত্ৰী শ্ৰী শৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়া আছিল। তেতিয়া তেখেতে কৰ ধৰিলে যে 'লেণ্ড ইজ দি মিনচ অৱ লাইবলি হোড অৱ দি পিপুল'' তেতিয়াই আমাৰ কিছু সংখ্যক লোকৰ চকু মেল খালে। তেওঁলোকে এই সকল মানুহক বিদেশী বুলি চিনাক্ত কৰিবৰ চেষ্টা কৰিলে। কোনে কৈছে আজি অসমৰ উন্নতি হোৱা নাই, কিমান মথাউৰি হল, গাৱে-ভুঞে ৰাস্তা-ঘাট হল সেই সময়ৰ যি সময়ত ইমিগ্ৰেণ্ট কৰা হল। অন্ধকাৰৰ পৰা ঘৰত যেতিয়া লাইট দেখা পালে তেতিয়াই লেণ্ডলৰ্ড মানুহৰ ৰূষ আৰম্ভ হল আৰু এই সকল মানুহক মাটিৰ পৰা উচ্ছেদ কৰিব লাগে। এই গোটেই বিলাক কথা একত্ৰিত কৰি অসমত আন্দোলন তৈয়াৰ কৰিলে। তেওঁলোকক ভোটাধিকাৰৰ পৰা বঞ্চিত কৰিবৰ কাৰণে চেষ্টা কৰা হল। আন্দোলন কৰিলে সেই সকল মানুহক লাঞ্চনা কৰিবৰ কাৰণে। কিন্তু সেই সকল মানুহেই অসমীয়া সংস্কৃতি উচ্চ পৰ্য্যায়ৰলৈ লৈযোৱাত সহায় কৰিলে সেই সকল মানুহৰ ওপৰত অত্যাচাৰ হব নেলাগে। নেলি অঞ্চলত সৰু সৰু ল'ৰা-ছোৱালীক হত্যা কৰা হল, চাউলখোৱা চাপৰিত কিমানক হত্যা কৰা হল, আজিও সেই হত্যা শেষ হোৱা নাই। আজি ২/১ সুকীয়া ঘটনা হৈছে দেশৰ আইন শৃংখলা ৰাখিবৰ কাৰণে এইটো দেশৰ ৰিপ্ৰেচন নহয়। দেশৰ একচনৰ কাৰণে ৰাজীব গান্ধীয়ে কৈছিল তেখেতৰ মাক জীৱিত কালত চমুকা হল বোম্বাইত কৈছিল মই ৩ টা কথা জন সাধাৰণৰ কাৰণে কব খোজো। এই ৩ টা কথা আছিল ১৯৪৭ চনত জন্ম হোৱা ল'ৰা-ছোৱালী আৰু ভাৰতবৰ্ষ স্বাধীন হোৱাৰ আৰু আন্দোলনৰ কথা সিহঁতক কব লাগিব। আৰু এটা কথা আছিল যি সকল মানুহে কয় ভাৰতবৰ্ষৰ উন্নতি হোৱা নাই। তেতিয়াহলে আমি কওঁ যে শিক্ষিত সমাজে আজি লাজ পাব লাগিব, অধ্যক্ষই লাজ পাব লাগিব, উকিলে লাজ পাব লাগিব, সকলোৱে লাজ পাব লাগিব। আৰু কৈছিল মজবুত দেশ যদি হয় তেনেহলে মজবুত শাসন লাগিব। যদি মজবুত শাসন দেশত নেথাকে তেনেহলে কেতিয়াও দেশত উন্নতি

হব নোৱাৰে। আমাৰ ল'ৰা-ছোৱালীক আজি বিপথে পৰিচালিত কৰিলে কোনে? আজি যিসকলে সদন ত্যাগ কৰিলে সেই সকলেই আমাৰ ল'ৰা-ছোৱালী বিলাকৰ মূৰ খালে। তেওঁলোকে কিমান দিনলৈ অস্ত্ৰ লৈ সাৰ্ব্বভৌমত্বৰ কাৰণে যুজ দিব? তেওঁলোক আমাৰ ল'ৰা-ছোৱালী। তেওঁলোকৰ প্ৰতি আমাৰ সহানুভূতি আছে। আমি সকলো সময়তে তেওঁলোকৰ প্ৰতি উদাৰ মনোভাৱ লৈ আছো। তেওঁলোকক আজি হাতজোৰ কৰি কৈছো, ভাইহঁত তোমালোক আচল কথালৈ আহা। তোমালোকৰ কি কথা-বাৰ্ত্তা আছে পাতা। কিন্তু তেওঁলোকক কথা বাৰ্ত্তালৈ আহিব নিদিয়ে, এই শ্ৰেণী মানুহে যি সকলে আজি সদন ত্যাগ কৰিলে। তেওঁলোকক আজি বিপথে পৰিচালিত কৰিলে, তেওঁলোক আজি আলোচনালৈ নাহে বুলি পতিয়মান হৈছে। আমি বুজিব পাৰিছো যে সেই সকল মানুহৰ কাৰণে তেওঁলোক আজি আলোচনাৰ মেজলৈ আহিব নুখুজে।

মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণ আগতে হৈছে ১৯৮৫ চনত তাৰ পিচত ১৯৯০ চনত হৈছে কিন্তু তেতিয়া বিৰোধী সদস্য সকলে এই বিলাক পন্থা লোৱা নাছিল। কিমান বিলাক কংগ্ৰেছী মানুহক হত্যা কৰা হৈছিল তেওঁলোকে এটা প্ৰস্তাৱ উল্লেখ কৰিছিলনে? যদিহে কৰিছিল তেনেহলে সেইটো এটা ঘৰিয়ালৰ চকুপানীহে আছিল। তেওঁলোকে ভাবিছিল কংগ্ৰেছ শেষ হৈ যাওঁক। কংগ্ৰেছ ইতিহাসৰ পৰা ধ্বংশ হৈ যাওঁক।

( Mr. Speaker vacated the chair and Mr. Deputy Speaker occupied )

মাননীয় উপাধ্যক্ষ মহোদয় সেই সময়ত যিবোৰ অন্যায়, অত্যাচাৰ হৈছিল সেইবোৰ তেওঁলোকে দেখা পোৱা নাছিল নে বা তেওঁলোকে তাৰ ওপৰত কি ব্যৱস্থা লৈছিল? আজি তেওঁলোকৰ এটাই মাত্ৰ উদ্দেশ্য যে কেনেকৈ কিছুমান বিছিন্নতাবাদী কাম কৰি কংগ্ৰেছ দলটোক চিন্ন-বিচ্ছিন্ন কৰি তেওঁলোকে আনন্দত

দিন কটাব পাৰে। কিন্তু অসমৰ জনসাধাৰণে তথা ভাৰতৰ জনসাধাৰণে সেইটো কেতিয়াও হব নিদিয়ে আৰু তাৰেই ফল স্বৰূপে আজি ভাৰতবৰ্ষ তথা অসমত কংগ্ৰেছ চৰকাৰ প্ৰতিষ্ঠিত হৈছে। কংগ্ৰেছ দলে যিকোনো উপায়ে দেশৰ সমৃদ্ধিৰ কাৰণে চেষ্টা কৰিব আৰু যিহেতু এই দলে ধৰ্ম্মত বিশ্বাস ৰাখি কাম কৰে গতিকে ধৰ্ম্মৰ যে জয় হব সি নিশ্চিত। আজি কেইদিনমান আগতে ইছমাইল হুছেইন শ্বেখক কেনে ধৰণে হত্যা কৰা হল সেই কথা তেওঁলোকে এবাৰো চিন্তা কৰি চোৱা নাছিল। মই নিজে সেই ঠাইলৈ গৈ তাত যিটো পৰিস্থিতি বিৰাজমান কৰিছিল সি অবৰ্ণনীয়। আমি আজি এটা কথা চিন্তা কৰি চোৱা নাই যে আমি পৃথিৱীলৈ কিমান দিনৰ কাৰণে আহিছো। এই বিধান সভাতে বহুতো বিধান সভাৰ সদস্য হৈ গ'ল। কিন্তু কোন কিমান দিনৰ কাৰণে থাকিল? আজি অসমত ১৯৪৭ চনৰ পিছত জন্মগ্ৰহণ কৰা ল'ৰা-ছোৱালী সকলেই হাতত অস্ত্ৰ তুলি লৈছে। তেওঁলোকে ঘৰ বাৰী এৰি হাবিয়ে জংঘলে ঘুৰি ফুৰি ৰাজ্যখনত এক সন্ত্ৰাসৰ বাতাবৰণ গঢ়ি তুলিছে। কিন্তু তেওঁলোকে ভাবি চাইছে নে তেওঁলোকে এনেকৈ কিমান দিন থাকিব বা এনেবোৰ হত্যাকাণ্ড সংঘটিত কৰি কাৰ উপকাৰ সাধিবলৈ ওলাইছে? সেই দিনা আমাৰ ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণ পাঠ কৰি থকা অৱস্থাতে মাননীয় সদস্য শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ কপিটো ফালি পেলালে। তেওঁৰ এই জোৰ কিমান দিন থাকিব, এই জোৰ নিশ্চয় সদায় নাথাকে। আমাৰ সদস্য সকলৰ এনেবোৰ দুৰ্মতি যাতে কোনো দিনে নহয় তাৰ কাৰণে আমাৰ প্ৰত্যেক জন কংগ্ৰেছী সদস্যই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিব। বিগত দিনত আমাৰ দলৰ চৰকাৰ নাছিল। সেই চোৱাত কিমান জন মানুহ হত্যা কৰা হল, কাক কোনে হত্যা কৰিলে তাৰ বিচাৰ আজিও নহল। আজি অসমত দেশৰ সুৰক্ষা ৰক্ষা কৰিবৰ কাৰণে চি, আৰ, পি আৰু বি, এছ, এফ, ক নিযুক্ত কৰা হৈছে। তাত এ, জি, পি বা তেওঁলোকৰ সহযোগী দলে বেয়া পাব নালাগে। আজি কিছুদিন আগতে

আমাৰ দলৰ সাধাৰণ সম্পাদক শ্ৰী মানবেন্দ্ৰ শৰ্ম্মাক হত্যা কৰা হল। তেওঁৰ হত্যাত আমাৰ চকু পানী বাগৰি আহিল। কিন্তু তেওঁৰ হত্যাত সেই সময়ৰ চৰকাৰৰ কেইজনে চকু পানী টুকিলে? এই ঘটনাৰ পিছতে ৰাজ্য খনত যিটো পৰিস্থিতিৰ সৃষ্টি হৈছিল তাত বহুতো সংগঠন আদিয়ে কৰা মতামতৰ ওপৰত ভিত্তি কৰি তেতিয়াৰ গৃহমন্ত্ৰী গৰাকীয়ে পদত্যাগ কৰাৰো ভাবুকি দিছিল। আজি তেওঁলোকে যিবোৰ কথা উত্থাপন কৰিব বিচাৰিছে সেই ক্ষেত্ৰত মই এটা কথাই কব খোজো যে—নেজ থকা মানুহেহে নেজ দেখা পায়। তেওঁলোকে যিবোৰ অপকৰ্ম্ম কৰি গল সেইবোৰকে আজি তেওঁলোকে দেখা পাইছে। তেওঁলোকে শাসনত থকা কাল ছোৱাত অসমৰ কিমান ঠাই পৰিভ্ৰমণ কৰি অসমৰ চুকে কোনে থকা দুখীয়া লোক সকলৰ অভাৱ অনাটনৰ বিষয়ে খবৰ লৈছিল? যি সকল ৰাইজে বানপানীত আৰু মহামাৰীত ভোগী আছিল সেই সকল লোকৰ খবৰ তেওঁলোকে লবলৈ সময় নাপালে। মৰিগাওঁত মথাউৰি বান্ধিবৰ কাৰণে লাখ লাখ টকা তেওঁলোকৰ নিজ নিজ মানুহক দি আত্মসাৎ কৰা হল। তাৰ পৰা জানো ৰাইজৰ কিবা লাভ হল? গতিকে এই গোটেই বিলাক কথা অনুসন্ধান কৰি চোৱা দৰকাৰ। আজি কংগ্ৰেছ দলৰ চৰকাৰে যি অনুশাসনমূলক ব্যৱস্থাৰে ৰাইজৰ কাম কৰিবলৈ আগ বাঢ়িছে তেনে অনুশাসন আগৰ চৰকাৰৰ দিনত আছিল নে? তেওঁলোকে নিৰ্ব্বাচনৰ আগতে নানা তৰ্জন গৰ্জন কৰিছিল যাতে কংগ্ৰেছ দলে অসমৰ শাসন ভাৰ গ্ৰহণ কৰিব নোৱাৰে কিন্তু অসমৰ ৰাইজে তেনে ভাবুকিকো কান সাৰ নিদি কংগ্ৰেছ দলকে শাসনৰ গাদীত বহুৱালে। তাৰ কাৰণে আজি কংগ্ৰেছ দল ৰাইজৰ ওচৰত ঋণী, সেই কাৰণে কংগ্ৰেছ দলে দুখীয়া জন সাধাৰণৰ কল্যাণৰ হকে আৰু ৰাজ্য খনৰ আইন শৃংখলা ৰক্ষাৰ কাৰণে এই দলৰ চৰকাৰৰ দায়িত্ব আছে আৰু সেই দায়িত্ব নিশ্চয় এই দলে পালন কৰি যাব। এই আটাইবোৰ কথাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত সংখ্যাগৰিষ্ঠ, সংখ্যালঘিষ্ঠ আদি সকলোৰে কল্যাণৰ কাৰণে

ব্যৱস্থা লোৱাৰ কথা ঘোষণা কৰি যিটো ভাষণ দাঙি ধৰিছে তাক আমি ধন্যবাদ নিদি নোৱাৰো। এই ভাষণত চাকৰি-বাকৰিকে আদি কৰি ৰাজ্য খনৰ বিভিন্ন শিল্প-উদ্যোগ, বিজুলি শক্তি, কৃষি আদি আটাইবোৰ কথাকে উল্লেখ কৰা হৈছে। আজি অসমৰ কণ কণ ল'ৰা-ছোৱালী সকল যিবোৰৰ কাৰণে বিধৰ্ম্মী কৰ্ম্মত লিপ্ত হৈছে তেওঁলোকক যদি আমি চাকৰি বাকৰি দি মূল সূতিলৈ ঘুৰাই আনিব পাৰো তেনেহলে নিশ্চয় অসমৰ আজিৰ যিটো পৰিস্থিতি সেইটো নাই-কীয়া কৰিব পৰা হব আৰু অ,গ,প, চৰকাৰৰ দিনত যিমানবোৰ নৰহত্যা কৰা হল আৰু ৰাজ্য খনত যিটো অস্থিৰ অৱস্থা চলি আছিল সেইটোৰ নিশ্চয় উপশম হব।

মাননীয় উপাধ্যক্ষ মহোদয়, এই পুৰ্ব্বৰ অ,গ,প চৰকাৰৰ দিনত তেওঁলোকে ১৯৮৬ চনত ১৪টা অকেজ্যান তৈয়াৰ কৰিলে য'ত নেকি ৫ জনৰ মৃত্যু হ'ল আৰু ৪০ জন লোকৰ ইনজিয়ৰদ হ'ল। সেইদৰে ১৯৮৭ চনত ৯টা অকেজ্যনত ৫ জনৰ মৃত্যু হ'ল আৰু ১৫ জন লোক আঘাতপ্ৰাপ্ত হ'ল। ১৯৮৮ চনত ৩২টা অকেজ্যনত ৯ জনৰ মৃত্যু হ'ল আৰু ১৬ জন লোক আঘাতপ্ৰাপ্ত হৈছিল। সেইদৰে ১৯৮৯ চনত ৫৯টা অকেজ্যনত ২৭ জন লোকৰ মৃত্যু হৈছিল আৰু ২৩৯ জন লোক আঘাতপ্ৰাপ্ত হৈছিল। ১৯৯০ চনত ৫১টা অকেজ্যনত ১৭ জন লোকৰ মৃত্যু হৈছিল আৰু ১২ জন লোক আঘাতপ্ৰাপ্ত হৈছিল। তেতিয়াহলে ভাবি চাওক ১৯৮৬ চনৰ পৰা ১৯৯০ চনলৈ অসম গণ পৰিষদৰ দিনত ১৬২ জন লোকৰ মৃত্যু ঘটিছে। এনে এটা অৱস্থাতো গণ পৰিষদ দলৰ সদস্য সকলে কংগ্ৰেছ আই চৰকাৰক যি চৰকাৰে নেকি মাত্ৰ এমাহহে হৈছে কাৰ্য্যভাৰ লোৱা সেই চৰকাৰক দোষাৰোপ কৰি জগৰীয়া কৰাৰ কি নৈতিক অধিকাৰ আছে? কি নৈতিক অধিকাৰ লৈ তেওঁলোকে কংগ্ৰেছ আই চৰকাৰৰ কাম কৰাত হস্তক্ষেপ কৰিব পাৰে। অ,গ,প,ই তেওঁলোকৰ দিনত সকলো ফালে জয় জয় ময় কৰি ঘৰ দুৱাৰ গাড়ী-বাৰী লৈ মেৰী-মেকিং কৰি আনন্দ তামাচাৰে দিন কটাইছিল আনকি

তেওঁলোকৰ মুখ্য মন্ত্ৰীৰ ভায়েকে চৰাইবাহীৰ ওচৰত চৰকাৰী গাড়ী লৈ কি মইম-তালি কৰিছিল আৰু সেইজন ভায়েকেই অভয়াৰণ্যত গৈ বিদেশী মহিলাক অশালীন ব্যৱহাৰ কৰিছিল সেইটো সকলোৱে জানে। তেওঁলোকেই টাডা তৈয়াৰ কৰিলে তেওঁলোকেই আৰু বড়ো ভাই সকলৰ বিপৰীতে ৰেপ-কেচ তৈয়াৰ কৰিলে, আজি তেনে এটা দলৰ বৰ্ত্তমান চৰকাৰক জগৰীয়া কৰিবলৈ নৈতিকতা নাই। আজি নৈতিক অধিকাৰ আছে কংগ্ৰেছ আই দলৰ কিয়নো তেওঁলোক ৰাইজৰ আস্থাভাজন হৈ শাসনত অধিষ্ঠিত হৈছে। এই চৰকাৰেই আজি জন সাধাৰণৰ মাজলৈ ৰাইজলৈ শান্তি আৰু সুখ ঘুৰাই অনাৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ, স্কুল কলেজত লৰা-ছোৱালীয়ে শৃংখলাৰে পঢ়া-শুনা কৰিবলৈ পৰিবেশ ঘুৰাই অনাৰ কাৰণে যি চৰকাৰে চিন্তা চৰ্চ্চা কৰিছে সেই চৰকাৰৰ বা দলৰ আজি নৈতিক অধিকাৰ আছে। এই বিপথে পৰিচালিত যুব সকলে নহলে আমাক কলৈ ঠেলি লৈ যাব তাৰ কোনো ইয়ত্বা নাই। গতিকে পূৰ্ব্বৰ শাসনত অধিষ্ঠিত চৰকাৰ বৰ্ত্তমানৰ বিৰোধী পক্ষৰ গণ পৰিষদ দলৰ বৰ্ত্তমান চৰকাৰক দোষাৰোপ কৰা বা জগৰীয়া কৰাৰ কোনো নৈতিক অধিকাৰ নাই। মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত কৃতজ্ঞতা জ্ঞাপন কৰি মাননীয় সদস্য মুজিবুৰ ৰহমান ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে তাক সমৰ্থন কৰি ৰাজ্যপালৰ ভাষণৰ কাৰণে মাননীয় ৰাজ্যপাল মহোদয়ক ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**Mr. Deputy Speaker : Now Hon'ble Member Shri Ram Pyare Rabi Das.**

**শ্ৰী ৰাম পিয়াৰী ৰবি দাস :** মাননীয় উপাধ্যক্ষ মহোদয়, আৰু ভাই সদস্য, মুজিবুৰ হমান ডাঙৰীয়াই ৰাজ্যপালৰ ভাষণৰ ওপৰত যি ধন্যবাদ সূচক প্ৰস্তাৱ আনিছে

माननीय उपाध्यक्ष महोदय, इस सदन के मान्यवर सदस्य मुजिबुर रहमान द्वारा राज्यपाल महोदय के भाषण पर लाया गया है मैं उसका विरोध करता हूँ और इस सम्बन्ध में कुछ कहना चाहता हूँ। माननीय अध्यक्ष महोदय बराक भेली में पिछले 6 साल से किसी भी चाय बागन में कहीं कोई नौकरी नहीं मिल रही है। यहाँ पर कितने ही नवयुवक पढ़ लिख कर बेकार पड़े हुए है। नौकरी के लिये प्रयत्न करते हैं पर सरकार की दुर्नीतियाँ के कारण उन्हें कहीं कोई सहारा नहीं मिल रहा है। अध्यक्ष महोदय, राताबारी एक आरक्षित विधान सभा क्षेत्र है जहाँ पर कमजोर एवं निर्धन वर्ग के अधिकांश लोग है। यहाँ पर इनकी रोजी-रोंटी का कोई खास सहारा नहीं हैं। शिक्षा के क्षेत्र में भी यहाँ के लोग पिछड़े हुए हैं। अतः सरकार से में अनुरोध करता हूँ कि आरक्षित विधान सभा क्षेत्र को ध्यान में रखते हुए इस क्षेत्र के लोगों का ज्यादा से ज्यादा विकास के कार्य पर ध्यान दे, ताकि कमजोर वर्ग के लोग भी यह जान सके कि कोई ऐसी सरकार है जो हमलोंगों पर भी ध्यान देती है।

उपाध्यक्ष महोदय, बराकभैली में सड़कों की हालत बहुत ही खराब है। पिछले कई वर्षो से नयी सड़क की बात तो दूर है पुरानी सड़को की मरम्मत का कार्य नहीं हुआ है। 20 जुलाई को मंत्री महोदय को भी ध्यान इस बारे में मैंने आकर्षित किया था। चारगाला चाय बगान, सिंगाचेरा की सड़क की दशा और भी खराब है। यहाँ से करीमगंज जाने के लिए काफी दिक्कत का सामना करना पड़ता है। माननीय पी० डब्ल्यू० डी मंत्री से अनुरोध है कि इन सड़कों के मरम्मत का कार्य शीर्ध कराने की कृपा करे।

उपाध्यक्ष महोदय, जैसा कि मैंने चाय बगान के मजदुरों के बारे में कहा है उनकी हालत सुधारने के लिए सभी चाय बगानों के मजदुरो को एस० सी०/ एस० टी० की तरह उनका भी सुविधा दी जाय ताकि उनको भी उचित नौकरी मिल सके और उनका बिकास हो सके।

Mr. Deputy Speaker : Now Shri Madhusudan Tewari

*श्री मधुसुदन तिवारी : माननोय उपाध्यक्ष महोदय, राज्यपाल महोदय के भाषण में उस बात का उल्लेख नहीं किया गया है जिससे इस सरकार को काफी पैसा मिलता है और भारत सरकार को भी विदेशी मुद्रा मिलती है। किन्तु यह बात बड़े दुख के साथ कहनी पड़ती है कि इन चाय बगानों के मजदुरों का जीवन जिस तरह से निर्वाह होता है उसे देखकर हमारी आँखे शर्म से झुक जाती है। बगान के मालिक इन मजदुरों का कोई ध्यान नहीं रखते है। उन्हें तो अपने काम से मतलब है। इन मजदुरों के लिए न तो कोई अच्छे स्कूल हैं और न कोई अस्पताल जिस में ये अपना इलाज करा सके। इनको मजदुरी इतनी कम है कि इनका गुजारा हो किसी तरह से होता है ये अपने बच्चे को कहाँ से लिखाये और पढ़ाये। यही कारण है बगान के बच्चे कम पढ़े-लिखे है। ये बचपन से ही काम में लग जाते है क्यों कि काम न करने पर इन्हें दो जून की रोटी नहीं मिल पायेगी। इन मजदुरों को मजदुरी देने में मालिक भेद-भाव करते हैं। सामान्य मजदूर के लिए अलग मजदुरी है जबकि औरतों और बच्चे को उनसे बहुत कम मजदुरी दी जाती है। इन मजदुरों को अस्थायी कह कर रखा जाता है जिससे कम पैसा देने पड़े।

दुसरी बात है अध्यक्ष महोदय, बनों की कटाई के बारे में। बन जिस तेजी के साथ काटे जा रहें है अगर इसी तरह काटे जाते रहें तो प्राणी का जीवन दुर्लभ हो जायेगा। रिजर्व वेल्ट में भी उसी तरह इनकी काटाई हो रही है और सब लकड़िया मिजोरम के रास्ते जा रहीं है। ये सब लकड़िया रेल स्लीपर के लिए जाती है। यदि चोरी छिपे भी इसी प्रकार इन अंचलों के जंगल कटते रहे तो बहुत विनाशकारी स्थिति पैदा हो जाएगी।

---

*Speach not corrected

उपाध्यक्ष महोदय, पिछली सरकार ने एल० पी० स्कूल के शिक्षक की न्यूनतम शिक्षा उच्चतर माध्यमिक कर दिया है। और 40 प्रतिशत अंक होने चाहिये। हमारे यहाँ 18 चाय बगानों में 40 प्रतिशत अंक पाकर 3 लड़के हायर सेकेंडरी हैं। अतः में शिक्षा मंत्री जी का ध्यान इस ओर दिलाता हूँ कि प्राइमरी स्कूल के शिक्षको की शिक्षक योग्यता न्यूनतम हाई स्कूल उत्तीर्ण करने की व्यवस्था करें ताकि अधिकांश नवयुवको को लाभ मिले।

*Shri Sarat Barkataki (Minister of State) Sir. A point of clarification regarding the qualification for appointment of teacher, as refered to by the Hon: Member

माननीय উপাধ্যক্ষ মহোদয়, প্ৰাইমাৰী স্কুলৰ শিক্ষকৰ নিম্নতম অৰ্হতা এইচ, এচ. এল, চি, কৰাৰ কথা বিবেচনা কৰা হৈছে।

Mr. Deputy Speaker : Let Hon. Member Shri Tiwari continue.

*श्री मधुसुदन तिवारी : उपाध्यक्ष महोदय, एक बहुत जरुरी बात कहना चाहता हूँ सड़क के मरम्मत के सम्बन्ध में। 44 न० नेशनल हाईवे जो त्रिपुरा की तरफ जाती है उसकी हालत बहुत खराब है। बाढ़ को राकने के लिए जो बाँध बनाया गया था उसमें बाढ़ कारण जगहो में दरार पड़ गया है और इससे बाँध के टुटने की आशंका है। यदि यह बाँध टुट गया तो 1·60 लाख लोगों पर इसका असर पड़ेगा और कितने जन और धन की बरबारी होगी इसका अंदाजा नहीं लगाया जा सकता। अतः सरकार से अनुरोध है कि इस कार्य को युद्धस्तर पर करवाने का प्रयत्न करे जिससे जन और धन की अथाह क्षति से बचा जा सके।

---

*Speech not corrected

Mr. Speaker : Now Hon'ble Member Sri Anjan Datta.

* শ্ৰী অঞ্জন দত্ত : মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ সন্দৰ্ভত মাননীয় সদস্য শ্ৰী মুজিবুৰ ৰহমান ডাঙৰীয়াৰ ধন্যবাদসূচক প্ৰস্তাৱটিক মই আন্তৰিকতাৰে সন্মান আৰু সমৰ্থন জনাইছো। ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কত অংশ গ্ৰহণ কৰি কব বিচাৰিছো যে যোৱা দিন কেইটাত বিৰোধী দলৰ সদস্য সকলে মাননীয় ৰাজ্যপাল গৰাকীয়ে ভাষণ দিয়া অৱস্থাত যি ভূমিকা পালন কৰিলে ই অতি দুখৰ বিষয়। কাৰণ আমি নতুনকৈ নিৰ্ব্বাচিত হৈ অহা এই সদনৰ সদস্য। বিৰোধী দলত কেবা গৰাকী প্ৰাক্তণ মন্ত্ৰী, প্ৰাক্তণ মুখ্য মন্ত্ৰী আৰু প্ৰাক্তণ গৃহমন্ত্ৰীকে আদি কৰি কেবাজন সদস্য থকা সত্বেও ৰাজ্যপালৰ ভাষণৰ সময়ত এক হুলস্থলীয়া পৰিৱেশ সৃষ্টি কৰাটো দুখজনক। সেই সকলে সেই সময়ত ৰাজ্যপাল ডাঙৰীয়াৰ ভাষণ ফালি সদন ত্যাগ কৰাটো অতি দোষণীয় বুলি ভাৱো। যি সময়ত ৰাজ্যপালে ভাষণ দাঙি ধৰিছিল, ভাষণৰ কথা নুশুনাকৈ মাত্ৰ এটা বা দুটা শাৰি শুনাৰ পিচত বিৰোধী দলৰ কিছু সদস্যাই যি ধৰণৰ হুলস্থুলীয়া পৰিৱেশ সৃষ্টি কৰিলে ভাষণ ফালি ওলাই গৈছিল, সেই অৱস্থাত তেখেত সকলে পিছদিনা কি পৰিস্থিতিত ভাষণ নোহোৱাকৈ বিতৰ্কত অংশ গ্ৰহন কৰিলে মই নুবুজিলো। যি নহওক ভৱিষ্যতে সদনৰ মান মৰ্য্যাদা অটুট ৰখাৰ কাৰণে বিৰোধী দলৰ বিশেষকৈ সেই দিনা হুলস্থুলীয়া পৰিবেশ সৃষ্টি কৰা সদস্য সকলে নকৰিব বুলি মোৰ অনুৰোধ থাকিল আৰু অধ্যক্ষ ডাঙৰীয়াই এই ক্ষেত্ৰত অনুশাসনমুলক ব্যৱস্থা লব বুলি আশা কৰো। আইন শৃংখলাৰ ক্ষেত্ৰত বিৰোধী দলৰ কেবা গৰাকী মাননীয় সদস্যাই বৰ্তমান কংগ্ৰেছ দল চৰকাৰৰ এমাহ নৌহওঁতেই আইন শৃংখলাৰ পৰিস্থিতিৰ অৱনতি ঘটিছে বুলি এক প্ৰশ্নৰ অৱতাৰণা কৰিছে আৰু এক হুলস্থুলীয়া পৰিবেশ সৃষ্টি কৰা দেখা গৈছে। অসমৰ ইতিহাসত নিশ্চয় উপলব্ধি কৰিব যে ১৯৮৬ চনৰ জুলাই মাহত অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী যেতিয়া কৰিমগঞ্জ লৈ গৈছিল ৰাইজে স্মাৰক পত্ৰ

* Speech not corrected

আৱৰ্ত ভৱনলৈ দিব গৈছিল আৰু সেই সকলক গুলী চালনা কৰাত ৫ জনৰ থিতাতে নিহত হৈছিল। সেই সময়ত প্ৰতিবাদ উঠা নাছিল। মোৰ আগতে মাননীয় সদস্য এগৰাকীয়ে কৈ গৈছে শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ অ,গ,প,ৰ শাসন কালত ১৬২ জন লোকক গুলিয়াই হত্যা কৰা হৈছিল। আমি শাসক দলত থাকিও আজি কব নোখোজো যে তেনে ধৰণৰ গুলী চালনা বা সন্ত্ৰাসৰ সৃষ্টি হওক শাসক দলৰ সদস্যই সমৰ্থন নকৰে। কিন্তু যি সকলৰ কালছোৱাত ৮৭৫ গৰাকীতকৈ অধিক বলাৎকাৰ হৈছিল, যোৱা ৫ বছৰত কিমান অনুসন্ধান হল আৰু কেইজনক উপযুক্ত শাস্তি বিহিল ? সঁচা কথা সৌ সিদিনা শিৱসাগৰ চহৰত বি, এচ, এফ বাহিনীয়ে এগৰাকী গাভৰুক বলাৎকাৰ কৰিছিল। ইওঁ সঁচা কথা সেই সময়ত চৰকাৰ পক্ষৰ পৰা শিৱসাগৰ থানাৰ আৰক্ষী ওলাই উপযুক্ত শাস্তি দিছে আৰু বিহিত ব্যৱস্থা লৈছে। সেই সকলক নিলম্বিত কৰা হৈছে। শিৱসাগৰৰ পুলিচ বিষয়াই সময় মতে ব্যৱস্থা লৈছে। অ,গ,প ৰ শাসন কালত অসমৰ জীয়াৰী-বোৱাৰীক বলাৎকাৰ কৰা হল, কোনো অনুসন্ধান কৰা নহল, উপযুক্ত শাস্তি নহল। বৰং তেনে কাৰ্যত উচটনি দিয়া হৈছিল। আজি আছুৱে অসম বন্ধৰ আহ্বান দিছে। অ,গ,প,ই এই বন্ধ সমৰ্থন কৰিছে কিন্তু বিৰোধী দলৰ সদস্যই সভা স্থগিত প্ৰস্তাৱ আনিছে, ই অতি দুখৰ বিষয়। কাৰণ যোৱা বিদেশী বিতাড়ণ আন্দোলনৰ নামত কৰিছিল আৰু অসমৰ জনসাধাৰণে সমৰ্থন জনাইছিল। সেই ছাত্ৰ নেতা সকল নিৰ্ব্বাচিত হৈ ১৯৮৫ চনত নতুন চৰকাৰ গঠন কৰিছিল। যোৱা ৫ বছৰে সেই সকলে অসমৰ জনসাধাৰণৰ কাৰণে কি কৰিলে তাক ইয়াত বহলাই নোকোৱাই ভাল। সাংবাদিকৰ ওপৰত অত্যাচাৰ কৰিছে বুলি অভিযোগ আনিছে। বৰ্ত্তমান চৰকাৰৰ দিনত সাংবাদিকৰ প্ৰতি শ্ৰদ্ধা, সন্মান, আস্থা প্ৰতি জন সদস্যৰ আছে। কংগ্ৰেছ দলৰ কোনো মন্ত্ৰী, বিধায়কে কৰ্ম্মীয়ে নিশ্চয় তেখেত সকলক কোনো দিন অপমানিত কৰা নাই। সাংবাদিকৰ প্ৰতি ভাবুকি, এই দৃষ্টান্ত আনি দিছে। যোৱা ৫ বছৰত অ,গ,প ৰ শাসন কালত প্ৰাক্তন মন্ত্ৰী, বিধায়কে নিজ চকুৰ আগত দেখিছিলো

সাংবাদিকক অপমান, ভাবুকি দিয়াটো কংগ্রেছ দলৰ চৰকাৰে সাংবাদিকৰ প্ৰতি বেয়া মনোভাৱ লোৱা বা অত্যাচাৰৰ প্ৰশ্ন উঠিব নোৱাৰে। এনে ধৰণৰ কিছু বিষয়ত কিছু পৰিস্থিতিত কিবা হয়তো অপমান কৰিব পাৰে আৰু যদি এনে ধৰণৰ হয় নিশ্চয় আমাৰ চৰকাৰে ইয়াৰ বিহিত ব্যৱস্থাৰ বাবে তদন্ত কৰিব।

আজি যিটো উদ্দ্যেশ্যত আছুৱে বন্ধ দিছে এই বন্ধৰ কোনো যুক্তি যুক্ততা নাই। আমি দেখিবলৈ পাইছিলো যে যোৱা ৫ বছৰতো বহুতো অত্যাচাৰ লুণ্ঠন হৈছিল সেই সময়ত সেই বিলাকৰ প্ৰতিবাদ কৰোতা কোনো নাছিল। আজি অ,গ,প আৰু ন অ,গ,প আদি দলে বিধান সভাৰ আসন ত্যাগ কৰি যোৱাটো অতি দুখৰ কথা। বিধান সভাৰ মজিয়াত এই বিলাক কথা আলোচনা হব লাগে। তাকে নকৰি আসন ত্যাগ কৰি যোৱাটো উচিত হোৱা নাই কাৰণ ইয়াৰ কাৰণে এখন অনুসন্ধান কমিটি কৰি দিছে। এনে পৰ্য্যায়ত বন্ধ দিয়াটো অসমৰ প্ৰগতিৰ বাধাৰ কাৰণ হৈ পৰিছে। যোৱা অসম আন্দোলনৰ সময়তো বহুতো বন্ধ আদি হৈছিল আৰু অ,গ,প চৰকাৰৰ সময়তো বহুতো বন্ধ আদি হৈছিল। আজি অসমৰ সামাজিক, অৰ্থ নৈতিক আৰু ৰাজনৈতিক প্ৰগতিৰ বাবে প্ৰচেষ্টা লোৱা হৈছে এনে প্ৰচেষ্টাত এনে ধৰণৰ বন্ধ আদিয়ে বাধা প্ৰধান কৰিব।

মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে অসমত এতিয়া আইন শৃংখলাৰ পৰিস্থিতি নাই বুলি কৈছে। আচলতে কবলৈ গলে যোৱা ৫ টা বছৰতহে আইন শৃংখলাৰ পৰিবেশ নাছিল। অসমৰ জীয়াৰী বোৱাৰীৰ মান মৰ্য্যাদা বজাই ৰাখিব পৰা নাছিল। যি সময়ত যি সকল চৰকাৰত থাকিও অসমৰ জীয়াৰী বোৱাৰীৰ মান মৰ্য্যাদা ৰক্ষা কৰিব পৰা নাছিল সেই সকলে এতিয়া জীয়াৰী বোৱাৰীৰ মান মৰ্য্যাদা নাইকীয় হৈছে বুলি কবলৈ কোনো নৈতিক অধিকাৰ নাই। আমাৰ চৰকাৰে আলফাৰ ক্ষেত্ৰত সাধাৰণ ক্ষমাদান ঘোষণা কৰিছে। আমাৰ মুখমন্ত্ৰী মহোদয়ে কৈছে যে প্ৰয়োজন হলে বিশেষ ক্ষমতা আইনো উঠাই লোৱা হব। চৰকাৰে শান্তি পূৰ্ণ আলোচনাৰ কাৰণে আলফাৰ প্ৰতি যেনে ধৰণৰ সহাৰি আগবঢ়াইছে আলফাইও তেনেধৰণৰ সহাৰি আগবঢ়োৱা

উচিত। আজি কিছুদিনৰ আগতে এজন বিদেশী ইঞ্জিনিয়াৰক হত্যা কৰা হৈছে। তেওঁলোকৰ বাধা অপহৰণ কাৰ্য্য এতিয়াও চলিয়েই আছে। চৰকাৰে শান্তি বিচাৰে। আলফাই যোৱা ফেব্ৰুৱাৰী মাহত এখন চিঠিৰ দ্বাৰা যি পৰিবেশ গঢ়ি তোলাৰ কথা কৈছিল আলোচনাৰ বাবে সেই পৰিৱেশ গঢ়ি তোলা হৈছে। কিন্তু ইয়াৰ কাৰণে আলফা আগবাঢ়ি অহা নাই। মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ে আইন শৃংখলাৰ পৰিস্থিতিৰ সম্পৰ্কত যিখিনি কথা উল্লেখ কৰিছে তাৰ বাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো।

নিবনুৱা সমস্যা সমাধানৰ কাৰণে চৰকাৰে বিভিন্ন ব্যৱস্থা লোৱাৰ কথা ইয়াত উল্লেখ কৰিছে। এই বছৰতে দুই লাখ নিবনুৱাক সংস্থান দিয়াৰ কথা ৰাজ্যপাল মহোদয়ে উল্লেখ কৰিছে। এই কথাটোত কেইবাজনো অ,গ,প,ৰ বিধায়কে উপলুঙা কৰা দেখিবলৈ পাইছো। কোনো কৰ্ম্ম সংস্থান নোহোৱাৰ কাৰণে আজি যিটো উশৃংখলয়ৰ মানসিকতা গঢ়ি উঠিছে এইটো আমি আমাৰ যুৱক সকলৰ মনৰ পৰা আতৰ কৰিব লাগিব। ইয়াৰ কাৰণে সহযোগীতা কৰিবলৈ বিৰোধী পক্ষৰ সদস্য সকলক আহ্বান জনাওঁ। তেখেত সকলে সহযোগীতা আগবঢ়ালেহে তেখেত সকলৰ যিটো সপোন 'সোনৰ অসম গঢ়াৰ' সেই সপোন বাস্তৱত পৰিণত হব। ৰাজ্যপালৰ ভাষণত চৰকাৰে যি বিলাক কাম কৰাৰ কথা প্ৰকাশ কৰিছে সেই বিলাকত সহযোগ কৰিবলৈ মই সকলোকে আহ্বান জনাইছো।

নিয়োগ নীতিৰ ক্ষেত্ৰত অসমৰ যুৱক সকলৰ মনত বয়সৰ যিটো ভয় আছিলে সেইটো নাইকীয়া কৰি দিয়া হৈছে। চাকৰিত সোমোৱাৰ বয়স ৩০ বছৰৰ পৰা ৩৬ বছৰলৈ বঢ়াই দিয়া হৈছে। ইয়াৰ বাবে মই ৰাজ্যপাল মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো।

ৰাজ্যপাল মহোদয়ে বন আৰু পৰিবেশৰ কথা উল্লেখ কৰিছে। এই ক্ষেত্ৰত সামাজিক বনানীকৰণত গুৰুত্ব দিয়া হৈছে। নতুন নতুন বনানীকৰণ কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইয়াৰ বাবেও ৰাজ্যপাল মহোদয় ধন্যবাদৰ পাত্ৰ। যোৱা চৰকাৰৰ দিনত কাগজে কলমে যদিও গছ গছনি কটাটো বন্ধ কৰা হৈছিল কিন্তু কতো নতুন নতুন বনানিকৰণ কৰা নহল, কতো বৃক্ষ ৰোপণ কৰা নহল।

যোৱা কালি মাননীয় সদস্য শ্ৰী দিলিপ শইকীয়া দেৱে কৈছিল যে বান সাহায্য কেৱল কংগ্ৰেছ আইৰ গাওঁ বিলাকতহে দিয়া হৈছে। মই সুধিব বিচাৰিছো যে কংগ্ৰেছ আইৰ গাওঁ কত আছে ? কতো নাই । আমি বান সাহায্য ৰাইজৰ মাজত দিছো । তাত কোন কংগ্ৰেছ বা কোন কি দলৰ সেইটো চোৱা হোৱা নাই । তেখেত সকলে যি ধৰণৰ মনোভাৱ ব্যক্ত কৰিছে সেই ধৰণৰ মনোভাৱ ত্যাগ কৰিবলৈ মই আহ্বান জনাইছো ।

অন্য এজন সদস্য শ্ৰী হিতেন্দ্ৰ গোস্বামীয়ে কলা আইন উঠাই দিয়াৰ কথা কৈছিল মই সুধিব বিচাৰিছো যে এই কলা আইন আনিলে কোনে ? ইয়াৰ উত্তৰ আগতেই বৰ্ত্তমান বিধায়ক আৰু প্ৰাক্তন গৃহ মন্ত্ৰী মাননীয় শ্ৰী ভৃগুকুমাৰ ফুকন ডাঙৰীয়াই দি গৈছে যে এই কলা আইন প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াইহে অনাইছিল ।

মাননীয় ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত বিদ্যুত উৎপাদনৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিছে । আমগুৰিত যিটো গ্যেছ ভিত্তিক প্ৰকল্প কৰাৰ কথা কৈছে সেইটো হলে ৩৬০ মেগাৱাট বিদ্যুত পোৱা যাব । মই এই প্ৰকল্পৰ কাম সোনকালে কৰি শেষ কৰিবলৈ আহবান জনাইছো যাতে এইটো হৈ উঠিলে আমাৰ ৩৬০ মেগাৱাট অতিৰিক্ত বিদ্যুত উৎপাদন হব আৰু সেইখিনি বিদ্যুত পালে আমাৰ বৰ্ত্তমান যি বিদ্যুতৰ নাটনি সেই নাটনি দুৰ হব আৰু যি বিদ্যুত কৰ্ত্তন মাজে মাজে হয় সেইটোও নোহোৱা হব । ইয়াৰ বাবেও মই ৰাজ্যপাল মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো ।

মাননীয় উপাধ্যক্ষ মহোদয়, চাহ উদ্যোগৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত চাহ শ্ৰমিক সকলৰ কল্যাণৰ কাৰণে নানাধৰণৰ আঁচনি লবলৈ মন কৰিছে । চাহ বৰ্ডৰ সদৰ কাৰ্য্যালয় অসমলৈ স্থানান্তৰ কৰাৰ বাবে আমাৰ চৰকাৰে প্ৰচেষ্টা চলাব । এই কাৰ্য্যালয় অসমলৈ অনাৰ বাবে ৰাজ্যপালৰ ভাষণত উল্লেখ কৰাৰ বাবে ৰাজ্যপাল মহোদয় আমাৰ ধন্যবাদৰ পাত্ৰ । আমি এই কথাত পূৰ্ণ সমৰ্থন আগবঢ়াইছো যে চাহ শ্ৰমিক সকলৰ শিক্ষিত নিবনুৱা যুৱকক, চাহ

জন জাতিৰ শিক্ষিত যুৱকক যোৱা ৫ বছৰে বহুতো অৱহেলা কৰা হৈছে। এই চৰকাৰৰ দিনত চাহ শ্ৰমিক সকলৰ শিক্ষিত সন্তান সকলক চাহ বাগিছাত চাকৰি দিয়াত অগ্ৰাধিকাৰ দিয়া হব। তাৰ বাবে ব্যৱস্থা লোৱাৰ কাৰণে ৰাজ্যপাল মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো।

উপাধ্যক্ষ মহোদয়, পঞ্চায়ত আৰু সমবায়ৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত ব্যৱস্থা লোৱাত তেখেতৰ ভাষণৰ প্ৰতি আমি ধন্যবাদ জ্ঞাপন কৰিছো। পঞ্চায়ত কৰ্ম্মচাৰী আৰু কৰ্ম্মী সকলৰ অভাৱ অভিযোগৰ প্ৰতি চকু দিয়া হব বুলি ৰাজ্য-পালৰ ভাষণত কোৱা হৈছে। এই ভাষণৰ বাবে আমি ৰাজ্যপাল মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। নগৰ উন্নয়নৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত সুন্দৰ ব্যৱস্থা লৈছে। আমি এই ব্যৱস্থাৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছো। উপাধ্যক্ষ মহোদয়, পাহাৰ অঞ্চলৰ উন্নয়নেই হৈছে পাহাৰ অঞ্চলৰ উপ পৰিকল্পনাৰ কেন্দ্ৰ বিন্দু। এই সম্পৰ্কত আমি পূৰ্ণ সমৰ্থন আগবঢ়াইছো আৰু ৰাজ্যপাল মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। ৰাজ্যপাল মহোদয়ে ভাষণত চৰ অঞ্চলৰ উন্নয়নত, গৃহ নিৰ্ম্মাণত আৰু জন স্বাস্থ্যৰ ক্ষেত্ৰত তেখেতৰ ভাষণত যিখিনি কথা কৈছে তাৰ প্ৰতি আমি ধন্যবাদ জ্ঞাপন কৰিছো। পশু চিকিৎসা, শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ ভেন্সাৰ প্ৰাথমিক বিদ্যালয় বিলাকক প্ৰাদেশিকৃত কৰা হব আৰু বহুদিন কাম কৰি থকা শিক্ষকৰ চাকৰি নিয়মীয়া কৰাৰ বাবে যি ব্যৱস্থা কৰিছে তাৰ প্ৰতি আমাৰ পূৰ্ণ সমৰ্থন আগবঢ়াই ৰাজ্যপাল মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। সাংস্কৃতিক কাৰ্য্য-সূচী কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত প্ৰচেষ্টা লোৱাৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ কৰিছে তাৰ বাবে তেখেতক ধন্যবাদ দিছো। ক্ৰীড়াৰ ক্ষেত্ৰত, অনুসূচীত জাতি, অনুসূচীত জনজাতি আৰু পিচপৰা জাতিৰ কল্যাণৰ বাবে যিবিলাক আঁচনি এই ভাষণত প্ৰকাশ কৰিছে তাৰ প্ৰতি আমাৰ পূৰ্ণ সমৰ্থন আগবঢ়াইছো আৰু ৰাজ্যপাল মহোদয়লৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। সংখ্যালঘু সকলৰ কল্যাণ, যুৱ, মহিলা আৰু শিশু কল্যাণ, প্ৰাক্তন সৈনিক সকলৰ কল্যাণ, চৰ অঞ্চলৰ উন্নয়ন, চৰকাৰী চাকৰিয়াল সকলৰ অভাৱ অভিযোগ

সম্পৰ্কে যিবিলাক কথা দাঙি ধৰিছে তাৰ বাবে ৰাজ্যপাল মহোদয়ক আমাৰ ধন্যবাদ জ্ঞাপন কৰিছো। অসম চুক্তি ৰূপায়নৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত যিখিনি কথা দাঙি ধৰিছে ই অতি উল্লেখযোগ্য আৰু ইয়াৰ বাবে তেখেতৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, ১৯৮৫ চনতে ১৫ আগষ্টৰ দিনা অসম চুক্তি স্বাক্ষৰিত হৈছিল। কংগ্ৰেছ দলৰ ত্যাগৰ বিনিময়ত এইটো হৈছিল। যিখন চুক্তিত আছুৰ নেতাসকলে স্বাক্ষৰিত কৰিছিল সেই সময়ত ভাৰতত কংগ্ৰেছ চৰকাৰ আছিল আৰু প্ৰয়াত নেতা ৰাজীৱ গান্ধী প্ৰধান মন্ত্ৰী আছিল। অসমতো কংগ্ৰেছ চৰকাৰ আছিল। জনসাধাৰণৰ আন্দোলন আৰু তেখেত সকলৰ দাবীৰ প্ৰতি সন্মান জনাই অসমত শান্তিৰ বাতাবৰণ হওঁক বুলি এই চুক্তি কৰা হৈছিল। এই চুক্তিত স্বাক্ষৰ কৰিছিল সেই সময়ৰ ছাত্ৰ নেতা শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই আৰু গণ সংগ্ৰাম পৰিষদৰ নেতাই। কিন্তু তেওঁলোকে অসমৰ ৰাইজক প্ৰৱঞ্চনা আৰু বিশ্বাসঘাতকতা কৰিলে। কিন্তু আজি এই চুক্তি ৰূপায়নৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত যিখিনি ব্যৱস্থাৰ কথা উল্লেখ কৰিছে তাৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো।

উপাধ্যক্ষ মহোদয়, বানপানী সমস্যাৰ ওপৰত যোৱা কালি মাননীয় সদস্য শ্ৰীদিলীপ শইকীয়া সোনোৱালে কৈছিল যে, খাদ্য সামগ্ৰী উচিত ভাৱে বিতৰণ হোৱা নাই। খাদ্য সামগ্ৰী যোগান ধৰা নাই। কিন্তু বিভাগীয় মন্ত্ৰী মহোদয়ে এই ক্ষেত্ৰত এটা স্পষ্টিকৰণ দাঙি ধৰিছে। সমগ্ৰ বানপ্ৰপীড়িত অঞ্চলতে খাদ্য সমগ্ৰী সম্পূৰ্ণ ভাৱে যোগান দিয়া হৈছে। কালি অভিযোগ অনা হৈছে যে, মাননীয় মূখ্যমন্ত্ৰীয়ে এই অঞ্চল বিলাক ভ্ৰমণ কৰা নাই। আমাৰ মুখ্য মন্ত্ৰীয়ে যি সময়ত আলফাৰ সমস্যা, বানপানীৰ সমস্যাত ব্যস্ত হৈ আছে তেনে অৱস্থাতে মূখ্যমন্ত্ৰীয়ে সকলো মন্ত্ৰীকে আৰু আমাৰ দলৰ সকলো বিধায়ককে নিজ নিজ সমষ্টিত গৈ বান পীড়িত লোকক সাহায্য দিয়াৰ কাম তদাৰক কৰিবলৈ নিৰ্দ্দেশ দিছিল। সেই মতে আমি সকলো নিজ নিজ সমষ্টিলৈ গৈছিলো। আমাৰ মন্ত্ৰীসভাৰ ৩ জন কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰীয়েও এই অঞ্চল বিলাক পৰিদৰ্শন

কৰিছিল। ১৯৮৮ চনত যি সময়ত প্ৰয়াত ৰাজীৱ গান্ধী ভাৰতৰ প্ৰধান মন্ত্ৰী আছিল সেই সময়ত অসমত হোৱা প্ৰলয়ংকাৰী বানপানীৰ ক্ষয় ক্ষতি বুজ লোৱা বাবে তেখেত অসমলৈ আহিছিল। তেতিয়াৰ অসমৰ মুখ্যমন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তই প্ৰধান মন্ত্ৰীক দেখা কৰিবলৈ যোৱা নাছিল। লগতো ভ্ৰমণ কৰা নাছিলেই। অসমৰ ৰাইজৰ বাবে সাহায্য দাবী তুলিব পৰা নাছিল। এই কথা পাহৰি গলে নহব। আমাৰ কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰী ৩ গৰাকীয়েও বান বিধ্বস্ত অঞ্চল পৰিদৰ্শন কৰি এই সমস্যা সমাধানৰ বাবে উচ্চ পৰ্য্যায়ৰ বিষয়াৰ লগত আলোচনা কৰিছে। আনকি যি সময়ত মাজুলী বিছিন্ন হৈ আছিল সেই সময়ত হেলিকপ্টাৰেৰে আমাৰ চৰকাৰৰ ফালৰ পৰা খাদ্য সামগ্ৰী যোগান ধৰা হৈছিল। আমাৰ মন্ত্ৰী, বিধায়কে নাওঁ লৈ বান বিধ্বস্ত প্ৰতিখন গাৱঁলৈ গৈ ৰাইজৰ অৱস্থাৰ বুজ লৈ সাহায্য আগবঢ়াইছে।

মাননীয় উপাধ্যক্ষ মহোদয়, মই আমগুৰি সমষ্টিৰ জকাইচুক মৌজাৰ বান ক্ষতিগ্ৰস্ত প্ৰত্যেকটো অঞ্চললৈ নিজে গৈছো। মানুহৰ ঘৰে ঘৰে সোমাইছো, নাৱেৰে গৈছো, কেতিয়াবা ১০ কিলোমিটাৰ পৰ্য্যন্ত খোজকাঢ়িও গৈছো আৰু ক্ষতিগ্ৰস্ত লোকৰ মাজত বান সাহায্য বিতৰণৰ বুজ লৈছো, সাহায্য বিতৰণ কৰিছো। অৱশ্যে কিছু সংখ্যক চৰকাৰী বিষয়াই চৰকাৰী কাম-কাজত কিছু হেমাহি কৰি আছে। সেই বিষয়া সকলে হয়তো পাহৰিয়েই গৈছে যে অসমত আজি এখন নতুন চৰকাৰ হৈছে। সেই বিষয়া সকলে যোৱা ৫ বছৰত এখন অতি অনভিজ্ঞ চৰকাৰৰ তলত কোনো নীতি নিয়ম তথা প্ৰশাসনিক অভিজ্ঞতা নথকা মন্ত্ৰীৰ তলত কাম কৰি নিজৰ তথা চৰকাৰী নীতি নিয়মবোৰ পাহৰিয়েই গৈছে হয়তো। এতিয়া নতুন চৰকাৰে, পূৰ্বৰ অনভিজ্ঞ অপুষ্ঠ চৰকাৰে বা মন্ত্ৰী সকল সেই বিষয়া সকলক পুনৰ শিক্ষা দি, পুৰণি জঠৰতা ভাঙি নতুনকৈ কাৰ্য্যক্ষম কৰি তুলিব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ আৰু বিশেষ কবলগীয়া নাই। মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰী মুজিবুৰ ৰহমান ডাঙৰীয়াই যি ধন্যবাদ সূচক প্ৰস্তাৱ

আনিছে তাৰ প্ৰতি মই পুনৰবাৰ পূৰ্ণ সমৰ্থন জনাই ৰাজ্যপাল ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰি মোৰ এই চমু বক্তব্যৰ সামৰণি মাৰিলো ।

শ্ৰী বৰ্গৰাম দেউৰী, ( মন্ত্ৰী, অনুসূচীত জাতি আৰু জনজাতি আৰু অন্যান্য পিচপৰা জাতি কল্যাণ বিভাগ ) ঃ

মাননীয় উপাধ্যক্ষ মাহোদয়, মই এই খিনিতে এটা স্পষ্টীকৰণ দিব খুজিছো- যে যোৱা কালি মাননীয় বিধায়ক শ্ৰী দিলীপ শইকীয়া সোনোৱালে বানপানী সম্পৰ্কত যি অভিযোগ আনিছিল সেইটো সত্য নহয় । তেখেতে কোনো ঠাইৰ কথা উল্লেখ কৰা নাছিল যদিও সম্ভৱত লক্ষীমপুৰ, ধেমাজী আৰু ঢকুৱাখানাৰ কথাই উল্লেখ কৰিছিল । উপধ্যক্ষ মহোদয়, আমি যিবোৰ ঠাইলৈ গৈছো সেইবোৰত বান পীড়িত লোকক সাহায্য দিছো-কোনো কংগ্ৰেছ বা আন পাৰ্টি বুলি সাহায্য দিয়া নাই । সাহায্য আগবঢ়োৱা নাই । বানবিধ্বস্থ লোকক সাহায্য দিয়া হৈছে । আমি যিবোৰ ঠাইলৈ গৈছো তাত কোনো বিধায়কক লগ পোৱা নাই । তাত দুজন বিধায়ক আছে এজন হৈছে শ্ৰী দিলীপ শইকীয়া সোনোৱাল আৰু আনজন হৈছে শ্ৰী ভৰত নৰহ । তেখেত সকলে ইয়াত বহি যি অভিযোগ আনিছে সেই অভিযোগ সত্য নহয় ।

Mr.Deputy Speaker : Now,Hon'ble Member, Shri Samarendra Nath Sen.

Shri Samarendra Nath Sen : Governor in his address has stated that problem of unemployment will be solved by giving employment to lakhs of people but how ? This problem will be solved whether by creating industries or through some other methods, no mention has been made in the Governor's address. Moreover,Sir, Governor has stated that there will be reforms by amending law and appropriate steps would be taken by giving ownership to landless people or those who

are living as tenant. In Non-Agricultural Tenancy Act, there is no protection for the persons who are living for 100 years wh reas for urban people there is protection under Urban Areas Rent Control Act under Section 5 (4). I urge upon the Government to amend this rule, so that people living as tenant may get protection otherwise people living for 100 years will always be evicted by the landlords. This process is going on in Assam. Governor in his address has stated that Agriculture will be treated as industry. Farmers will be given mechanised ploughing, but if there is no proper irrigation system, mechanised ploughing will not work. There is no mention in the Governor's address that Government would create more irrigation facilities to the farmers. Without irrigation system, proper ploughing and cultivation cannot be done. So, I am very sorry to say that in Governor's address there is nothing new as regards irrigation. Our country is mostly agricultural. So, Sir, if we are to uplift the people to bring them above the poverty line, we must give facilities for irrigation to the farmers. In our Barak Valley, we have seen that irrigation system has totally failed. So, I urge upon the Government to take steps and appropriate irrigation system must be done immediately. As regards Char, Governmment has stated that they will give Pattas to the landless farmers in Char Areas also and here I have heard from one congress member that in Char Areas, people who are living come from other parts of the country, they are foreigners. But I have seen particularly

in Silchar town. In Silchar town, there are 3 Chars - Kali bary, Madhura and Idgah. There I have seen that they are refugees, they have come prior to 1947 – mostly before 1965. I am proud that I have conducted 100 of such cases who were declared Indian. So, Sir, my submission is that in Char Areas Pattas be given immediately. In the Char Areas of Silchar town, previous government have issued holdings numbers by Municipality, but thereafter have withdrawn it. Sir, I urge upon the Government to give holdings from the Municipality and thereafter Pattas because resettlement survey is going on in Assam. Before that survey people should get pattas. In actual practice they do not get Pattas.

Sir, I urge upon the Government to give holdings from the Municipality and then they may be given Pattas. The resettlement survey is on and before completion of the survey, they must be given holdings by the Municipality because they are not getting all facilities in the urban or rural areas. They cannot cast vote in the General Election or in the Municipality election. So, I urge upon the Government that before giving Pattas, Municipal holdings may be allotted to these people. In the Governor's address, it is stated that the Government will create blocks. I have a suggestion that small blocks may be created. A block with 4/5 GPS cannot serve the people properly. So I urge upon the Government to create smaller blocks, preferable with 2/3 GPS under it.

In regard to medical facilities, I am sorry to say that in the

Silchar Medical College, there are large number of vacancies of teaching and non teaching staff. So far as I know, there are vacancies in the following departments :—

| | | | |
|---|---|---|---|
| Anatomy | — | Asstt.Prof-. | 1 |
| Demonstrator | — | | 1 |
| Bio-chemistry | — | Professor | 1 |
| Demonstrator | | | 2 |
| Pathology | | | |
| Demonstrator | | | 6 |

So, if these vacancies continue, Medical College may be de-recognised at any time. Inspite of the order of postings, these medical officers do not join in one pretext or other. Apart from this, there is acute shortage of instruments. In our district, the occurrence of cancer is on the increase, but there is not instrument for preliminary detection of cancer. As a result, the cancer patients are compelled to go to Vellore even for preliminary treatment. We are going to 21st century, but we have not the preliminary facilitites required.

Sir, in regard to supply of water, the present system is that with the deposit of Rs 6 lakhs 17 thousands, 1000 connections are given. Sir, Silchar has a big areas and with the present treatment cannot serve these areas. So, I urge upon the Government to set up new treatment plant and in this regard, money should be provided to the departments. I am told there is a hitch between the departments of PHE and Silchar Municipality. I have requested the Deputy

Commissioner as well as the Municipal Administration Department to settle up the matter for the sake of the people of Silchar town. Another point, I would like to point out is the illegal felling of trees. It has assumed a very serious proporation. The people from other side of the international border are continuously encroaching upon the forest land. As such, they are causing economic crisis of the state in general and the Barak Valley districts in particular. The country was partitioned due to two nation theory. At the time of independence, our leaders gave an understanding that the religious minority coming to this country will be given full protection. Sir, I am sorry to say that the refugees coming to India and Assam, they are not given proper protection.

Mr. Deputy Speaker Sir, you will be astonished to hear (of course, I know, you also hail from the Barak Valley itself) That cases are being filed only against the Hindus (who have taken shelter in Barak Valley). It is a very dangerous problem for present as well as for future. Because people who have come to India to save their life and property are being persecuted and those who come by the dead of night to create imbalance and confusion in our society go scot free. My humble submission is that Government should do everything possible to stop this infiltration for ever. Those who come only with ulterior motive should be driven out. Sir, we are all human being. So we should not create discrimination

between a Hindu, a Muslim a Christian or a Buddist. Why a Human Right Commission cannot be set up so that anybody a Hindu, a Muslim, a Christian or a Buddhist -all can get the same benefit and protection.

(Mr. Speaker assumes chair)

Another point, Sir. This is regarding Urban Development. Now, for selling of land one must obtain permission from the Silchar Development Authority. For this a big amount cf fee has to be paid. Again, without giving, paying a fat amount to oil sombody's hand you cannot get the things done. This so-called Urban Development is creating problem to the people who need money urgently and badly, say, to give marriage to their daughter, to perform the social and religious obligations like sradha ceremony of father or mother and the like. Again, before obtaining the permission of the Silchar Development Authority one has to go through the Silchar Municipality. So, I urge upon the Government to ask the Urban Development Authority of Silchar not to create such hurdle for the people when they have to go for selling their own land under exigencies. As regards law and order, I urge upon both the Central and the State Government to bring our ULFA boys to negotiation table. Sir, when there is a will, there is a way, goes the saying. I sincerely hope, if both the Central and the State Government are really interested this problem of ULFA activities must and should be stopped. As regards Power, I am sorry to say that our Power Minister

is also from the Barak Valley. In Barak Valley you will find that there is frequent load-shedding but in the Governor's Address this problem of the Barak Valley has failed to find a place, so we cannot hope that in near future, we will be relieved of this crying problem. On his last visit to Silchar the Power Minister had assured that a Gas Turbine generator will be installed there to improve the power situation. But in the Governor's address no mention has been made on this score. Now whom we are to believe, the Power Minister or the Governor ? I understand, subject to correction, that the power generation at Silchar at present is only a meagre 8 K. W. whereas the requirement is 35 K. W. Under the present circumstances how can we hope to solve the problem ? The machines have become old........ ( Speaker's bell rings ).

Sir, in the Governor's Address it has been written that frequent cultural exchange programme would be arranged between Brahmaputra Valley and Barak Valley. Here I would like to say that only frequent exchange of cultural programmes will not solve the problem. I would urge upon the Government to do something more so that people of Barak Valley do not feel alienated. Government should do something for the people of Barak Valley. They are also keen to join the mainstream. It would be definitely appreciated that there is a mental barrier between the people of these two Vallies. Why this barrier is there ? Why we should feel alienated ? Government must do something because for the last 3 years

the people of Barak Valley did not get any benefit. ( voice- but you have got the Minister ) So Sir, I urge upon the Government to do something for Barak Valley so that we do not feel alienated. I do not like to touch other points. I am very grateful to you for giving me so much time for expressing our views. With these few words Sir, I resume my seat.

(Speech concluded)

* Shri Abdul Jalil Ragibi : Mr. Speaker Sir, I want to make a point of clarification. Hon'ble Member Shri Sen has said in his just concluded speech that some Congress (I) Members have said that the people of Char Areas have come from other countries, it is wrong, Sir. This was said by some Hon'ble AGP members. This was objected from our side.

Ruling by the Hon'ble Speaker

Mr. Speaker : Order, Order, Order.

Hon'ble Members Sarbasree Promode Gogoi, Sasha kamal Handique, Holiram Terang and Jainal Abedin tabled a notice of Adjournment Motion today with regard to 11 hour Bandh called by All Assam Students' Union, today, the 1st August, 1991. Hon'ble Member Shri Promode Gogoi made his submission on the admissibility of his adjournment motion. He has supported by Hon'ble Member Shri Holiram Terang, Shri Jainal Abedin and Shri Sasha kamal Handique and advanced their argument for admissibility of the motion.

I have also heard the submission of the Hon'ble

---

* Speech not corrected

Parliamentary Affairs Minister about the admissibility or otherwise of the adjournment motion sought to be raised today. Hon'ble Minister, Parliamentary Affairs during the course of his submission opposed the adjournment motion.

Today's Bandh does not have the test of ingredients required for discussing the matter under the device of adjournment motion. Hon'ble members will get an ample opportunity to discuss this sort of incident in this august House within the current session of the Assembly through the Debates on Governor's Address and other procedural devices.

Therefore, the adjournment motion sought to be raised does not fulfil the requirements of rules warranting the adjournment of the other business of the House.

I, therefore, feel that this is not a fit case for adjournment motion and accordingly I disallow the adjournment motion.

The Leader of the House has requested me for making two statements, one, on ULFA and the other on today's Bandh. Now I request the Leader of the House to make his statements.

### Statement by the Chief Minister

মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া : অধ্যক্ষ মহোদয়, আজি ( ১ আগস্ট '৯১ ) চহৰৰ বিভিন্ন বাতৰি কাকতত প্ৰকাশিত সংযুক্ত মুক্তি বাহিনীৰ তৰফৰ পৰা দিয়া এটা বিবৃতি ৰাজ্য চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই বিবৃতিত উল্লেখ কৰা মূল বিষয় কেইটাৰ সন্দৰ্ভত আপোনাৰ আৰু সদনৰ মাননীয় সদস্য সকলৰ জ্ঞাতাৰ্থে প্ৰকৃত তথ্য খিনি দাঙি ধৰিবলৈ বিচাৰিছো। এই কথা সত্য যে যোৱা ১৬ জুলাই তাৰিখে ইষ্টাৰ্ণ কমাণ্ডৰ জেনেৰেল অফিচাৰ কামাণ্ডিং

লেফটেনেণ্ট জেনেৰেল কে—এচ-ব্ৰাৰ প্ৰমুখ্যে সেনা বাহিনীৰ কেই গৰাকীমান বিষয়াই জনতা ভৱনলৈ আহি মোৰ সৈতে সাক্ষাত কৰিছিলহি। নতুন ৰাজ্য চৰকাৰ এখন গঠনৰ পিচত মুখ্যমন্ত্ৰীৰ সৈতে সৌজন্যমূলক সাক্ষাতৰ যি পুৰণি পৰম্পৰা আছে, সেই পৰম্পৰা মতেই বিষয়া কেই গৰাকীয়ে এই সৌজন্যমূলক সাক্ষাত কামনা কৰিছিল আৰু সেই অনুসাৰেই সাক্ষাতৰ ব্যৱস্থা কৰা হৈছিল। এই সৌজন্যমূলক সাক্ষাতৰ বাতৰি বিভিন্ন বাতৰি কাকতত প্ৰকাশো হৈছিল।

মাননীয় সদস্য সকলৰ অৱগতিৰ অৰ্থে মই জনাব খোজো যে সেই সাক্ষাতৰ সময়ত সেনা বাহিনীৰ বিষয়া সকলৰ সৈতে আভ্যন্তৰিণ নিৰাপত্তা বা আইন শৃংখলাৰ বিষয়ে কোনো ধৰণৰ আলোচনা কৰা হোৱা নাছিল বা তেনে আলোচনাৰ উপলক্ষ্যও নাছিল। মাত্ৰ আলফাৰ আটকাধীন অৱস্থাত নিহত হোৱা ৰুছ খনি বিশেষজ্ঞ গ্ৰীচাংকো চাৰ্গেইৰ মৃতদেহ বিচাৰি উলিওঁৱাত সেনা বাহিনীৰ তৰফৰ পৰা কোনো ধৰণৰ সাহায্য পাব পাৰিনেকি সেই বিষয়ে আনুষ্ঠানিকভাৱে জানিবলৈ বিচৰা হৈছিল। তদুপৰি বানপীড়িত ৰাইজৰ উদ্ধাৰ আৰু সাহায্য অভিযানত সেনা বাহিনীয়ে আগবঢ়োৱা সহায়ৰ বাবেও ৰাজ্য চৰকাৰৰ তৰফৰ পৰা শলাগ লোৱা হৈছিল। তাৰ বাহিৰে এই সাক্ষাতৰ সময়ত আন কোনো বিষয়ৰ আলোচনা হোৱা নাছিল আৰু তাত কোনো ধৰণৰ সিদ্ধান্ত আদি লোৱাৰ কথাটোও তেনেই অপ্ৰাসংগিক। এই সাক্ষাত নিতান্তই সৌজন্যমূলক আছিল। আইন শৃংখলা আদিৰ বিষয়ে আলোচনাৰ কোনো কাৰ্য্যসূচী নথকাৰ বাবে গৃহ আয়ুক্ত গৰাকী তাত উপস্থিত নাছিল।

অধ্যক্ষ মহোদয়, বাতৰি কাকতত প্ৰকাশিত উক্ত বিবৃতিত সন্ত্ৰাস আৰু কুণ্টাঘাতমূলক কাৰ্য্য সংঘটিত কৰিবলৈ চৰকাৰে পৰিকল্পনা আৰু আঁচনি কৰাৰ এটা উদ্ভট অভিযোগো উত্থাপন কৰা হৈছে। ৰাইজৰ নিৰাপত্তাৰ বাবে সততে উদ্বিগ্ন হৈ থকা এখন ৰাজ্য চৰকাৰে তেনে ধৰণৰ উদ্ভট আৰু বিকৃত চিন্তা কৰিব পাৰেনে ? মই সদনক স্পষ্টভাষাৰে জনাব খোজো যে এনে ধৰণৰ অভিযোগ কেৱল ভিত্তিহীন, সাৰশুন্য আৰু অমূলকেই নহয়, অতিশয় দুৰ্ভাগ্যজনক আৰু অভিসন্ধিমূলকো।

আজিৰ অসম বন্ধ সংক্ৰান্তত মুখ্যমন্ত্ৰীৰ বিবৃতি :

আজি সদৌ অসম ছাত্ৰ সন্থাই আহবান দিয়া ১১ ঘণ্টীয়া অসম বন্ধৰ প্ৰভাৱ বৰাক উপত্যকাৰ তিনিখন জিলাত, কাৰবি আংলং জিলাৰ ডিফু, হামৰেন আদি ঠাইত আৰু উত্তৰ কাছাৰ পাৰ্ব্বত্য জিলাত একেবাৰেই পৰা নাই।

ডিব্ৰুগড় জিলাৰ নামৰূপৰ হিন্দুস্থান সাৰ নিগমৰ কাৰখানা, দুলিয়াজানৰ অইল ইণ্ডিয়া, অসম গেছ কোম্পানী, চাহ বাগানৰ কাৰখানা আদি এই বন্ধৰ কালছোৱাত সুচাৰু ৰূপে চলি আছে। তিনিচুকীয়া জিলাতো এই বন্ধৰ কোনো প্ৰভাৱ পৰা দেখা নাযায়। ডিগবৈৰ ভাৰতীয় তেল নিগমৰ উৎপাদন গোট আৰু মাৰ্ঘেৰিটাৰ কোল ইণ্ডিয়াৰ উৎপাদন গোট সমূহত কাম চলি আছে। চাহ বাগানৰ কল-কাৰখানাও এই সময়ছোৱাত চলি আছে।

শিৱসাগৰ জিলাতো এই বন্ধৰ প্ৰভাৱ পৰা নাই। তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ উৎপাদন গোট সমূহৰ কাম নিয়াৰিকৈ চলি আছে। ৰাজ্যিক পৰিবহন নিগমৰ বাছসমূহ বন্ধৰ সময়ছোৱাত চলি আছে।

লক্ষীমপুৰ জিলাত সকলো চৰকাৰী কাৰ্য্যালয় নিয়মিয়াকৈ চলি আছে। জিলাখনত দোকান - বজাৰ সুচাৰু ৰূপে চলিছে। স্কুল সমূহত পৰীক্ষাসমূহ চলি আছে। ৰাজ্যিক পৰিবহন নিগমৰ বাছ চলি আছে আৰু কিছুমান বেচৰকাৰী যান - বাহনো চলি থকা পৰিলক্ষিত হৈছে।

যোৰহাট জিলাতো তেল আৰু প্ৰাকৃতিক গেছ আয়োগৰ বৰহোলা আৰু ধনশিৰিত থকা প্ৰকল্প সমূহৰ কামো নিয়াৰিকৈ চলি আছে। জিলাখনৰ চাহ বাগিছা সমূহতো এই বন্ধৰ প্ৰভাৱ পৰা নাই।

বঙ্গাইগাওঁ জিলাৰ ধালিগাঁৱত থকা ৰিফাইনেৰী আৰু পেট্ৰকেমিকেল প্ৰকল্পৰ কাম চলি আছে আৰু ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথেদি যান-বাহন চলাচল কৰি আছে।

ধুবুৰী জিলাৰ জুইশলা কাৰখানা প্ৰভৃতিও চলি আছে।

নগাওঁ, কামৰূপ, গোলাঘাট, নলবাৰী, কোকৰাঝাৰ আদি জিলাতো এই বন্ধৰ প্ৰভাৱ আংশিকভাৱেহে পৰিছে। কিছু কিছু ঠাইত দোকান বজাৰ বন্ধ

হৈ থকা দেখা গৈছে আৰু বেচৰকাৰী যান বাহনো চলাচল হোৱা নাই। ৰাজ্যিক পৰিবহন নিগমৰ বাছ আৰু ৰেল চলাচল অৱশ্যে অব্যাহত আছে।

* পৃথিবী মাঝি : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল শ্ৰী লোক নাথ মিশ্ৰৰ ভাষণৰ ওপৰত মাননীয় সদস্য প্ৰফেচৰ মুজিবুৰ ৰহমানে যি ধন্যবাদ-সূচক প্ৰস্তাৱ আগবঢ়াইছে মই আন্তৰিকতাৰে পূৰ্ণ সমৰ্থন জনাইছো। এই প্ৰসংগত মোকো কবলৈ দিয়া বাবে আপোনাক ধন্যবাদ জনাইছো।

অধ্যক্ষ মহোদয়, আইন শৃঙ্খলাৰ বিষয়ে ইতিমধ্যে ভালে কেইজন মাননীয় সদস্যই তেখেত সকলৰ বক্তব্য ৰাখিছে মই আৰু বেছি দোহাৰাৰ প্ৰয়োজন নাই। মই এটা কথা ইয়াত কব লাগিব। ১৯৭৯ চনতে অসমত বিদেশী খেদা আন্দোলন আধাৰতে ছাত্ৰ নেতা সকলে অ,গ,প নামেৰে শাসনত অধিষ্ঠিত হয়। আমাৰ এটা কথা মনত আছে তেখেত সকলে কৈছিল যে তেখেত সকল অসম মাতৃৰ সন্তান, দেশপ্ৰেমিক আৰু 'জয় আই অসম' ধ্বনি দি সোনৰ অসম গঢ়িম বুলি শাসনভাৰ লৈছিল। এখন ঘৰত কেবাজনো লৰা-ছোৱালী থাকিলে ককায়েকে যদি কয় এইয়া মোৰ আই তেতিয়া ভনীয়েকহতে কয় নহয় এয়া মোৰ আই। এয়া মাকৰ প্ৰতি বেছি মোহ থকা বুজায় তেখেত সকলে ভাবিছিল যে আমি শাসনভাৰ ললে অসম ৰসাতলে যাব, অসমৰ অস্তিত্ব নাইকীয়া হব, অন্ন-বস্ত্ৰৰ সমস্যা জটিল হৈ উঠিব। কিন্তু আজি আমি কি দেখিছো। আজি অসমৰ আইন শৃঙ্খলাৰ কাৰণে দায়ী কোন? মই ভাবো আজি আইন শৃঙ্খলাৰ কাৰণে সম্পূৰ্ণ দায়ী আগৰ অ,গ,প চৰকাৰ। ৰাজ্যপাল মহোদয়ৰ ভাষণক আমি এই কাৰণেই ধন্যবাদ জনাইছো যে তেখেতে শিক্ষাৰ এটা আমূল পৰিবৰ্ত্তন আনিব বুলি ঘোষণা কৰিছে। সৌ সিদিনালৈ শিক্ষানুষ্ঠান সমূহত শিক্ষাৰ পৰিবেশ নাইকীয়া হৈ গৈছিল। কিন্তু আজি এমাহৰ ভিতৰতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত দেশপ্ৰেমৰ ভাৱ জগাই তুলিব বিচৰা হৈছে। কিন্তু এই পৰিবেশক যদি বাধা দিয়া হয় আকৌ অশান্তিৰ সৃষ্টি হব। আপোনালোকে বদনৰ ইতিহাস পঢ়ি চাওঁক। বদনে বাৰ্মাৰ পৰা মান আনিবলগীয়া হৈছিল তাৰ কাৰণে আমি বদনক

---

* Speech not corrected

বেয়া পইছিলো। কিন্তু আজি আমাৰ লৰা-ছোৱালীয়ে ব্ৰহ্মদেশত অস্ত্ৰশিক্ষা লৈ আমাৰ দেশক কলুষিত কৰা হৈছে। গতিকে বদনৰ নিচিনা হোৱা নাই নে? অসমখনক ভাল পোৱাৰ মাত্ৰ তেওঁলোকৰে অধিকাৰ আছে নেকি? অসমখনক ভাল পোৱাৰ অধিকাৰ সকলোৰে আছে। আজি দুখ আৰু পৰিতাপৰ বিষয় ছাত্ৰ সন্থাই ১১ ঘন্টা অসম বন্ধ দিছে আৰু আমাৰ এ,জি,পি সদস্য সকলে তাক সমৰ্থন জনাই দেশপ্ৰেমিকৰ ভাৱ দেখুৱাইছে। কিন্তু যোৱা পাচ বছৰত লক্ষীপথাৰত যিবিলাক হত্যাকাণ্ড চলিছিল, লুণ্ঠন চলিছিল তাৰ কাৰণে ছাত্ৰ সন্থা বা এ,জি,পি চৰকাৰে এদিনো বন্ধ দিছিল নে? এষাৰ মাত মাতি গৰিহনা দিছিল নে? গত ৫ বছৰত ১৮০ জন লোকক হত্যা কৰা হ'ল। তাৰ কাৰণে কোনোবাই চকু পানী টুকিছে নে? গতিকে তেওঁলোকে আজি দেশৰ সাৰ্ব্বভৌমত্ব ৰক্ষাৰ কাৰণে কি ব্যৱস্থা লব? তেখেত সকলে অসমৰ কাৰণে কান্দিছে। আমি কংগ্ৰেছ দল কি বাহিৰৰ পৰা আহিছো নেকি? মাননীয় শৰত চন্দ্ৰ সিংহ, বিমলা প্ৰসাদ চলিহা বা আজিৰ মুখ্য মন্ত্ৰী বাহিৰৰ লোক নহয় অসম মাতৃৰে সুযোগ্য সন্তান। এতিয়া আমাৰ চৰকাৰে যি কাম কৰিব অসমৰ কাৰণেই কৰিব। আমাৰ মন্ত্ৰী বিধায়ক বিষয়া কৰ্ম্মচাৰী লগ হৈ যি সেৱা আগবঢ়াব সেই সেৱা অসমৰ কাৰণে আগবঢ়াব। দেশখন ৰক্ষা কৰাৰ কাৰণে জনসাধাৰণৰ মাজত সেই ভাৱ জগাই তুলিব লাগিব। আমি বুজাব পাৰিব লাগিব যে অন্ন বস্ত্ৰৰ দ্বাৰা সকলো কাম সমাধা নহয়। সেই কাৰণে কৈছো ৰাজ্যপাল মাহোদয়ে শিক্ষানুষ্ঠান সমূহৰ কাৰণে যি ব্যৱস্থাৰ কথা উল্লেখ কৰিছে তাৰ কাৰণে তেখেত ধন্যবাদৰ পাত্ৰ। ৰাজ্যপাল মহোদয়ৰ ভাষণত যিবিলাক কথা সন্নিবিষ্ট কৰা হৈছে সেই বিলাক আমাৰ দলৰ চৰকাৰৰ কাৰ্য্যসূচী আৰু তাক প্ৰতিফলিত কৰিব অসমৰ জন সাধাৰণৰ কাৰণে। ৰাজ্যপাল মহোদয়ে অসমৰ চাহ উদ্যোগ আৰু শ্ৰমিকৰ কথা উল্লেখ কৰিছে। ভাৰতবৰ্ষৰ ৫৭ ভাগ চাহ অসমত উৎপন্ন হয়। আৰু এই চাহ জনগোষ্ঠীৰ জনসংখ্যা হৈছে এক তৃতীয়াংশ। অসমত প্ৰচলিত টি প্লেনটেচন আইনখন ১৯৫১ চনৰে। তাকে সংশোধন কৰাৰ সময় হৈছে। এই বিধান সভাতে তাৰ সংশোধন আহিব বুলি আশা কৰিলো। আজি অসমৰ এক বুজন

সংখ্যক জনসাধাৰণে কোছ, ৰাজবংশী, মৰাণ, মঠক সকলে অনুসূচিত জনজাতিৰ তালিকাত সোমাবলৈ দাবী কৰি আহিছে। যোৱা ৫টা বছৰত এই দাবী সন্দৰ্ভত কোনো ব্যৱস্থা কৰা নহ'ল। সেই সময়ৰ কেন্দ্ৰত থকা জনজাতি দপ্তৰৰ মন্ত্ৰী শ্ৰীমতী ৰাজেন্দ্ৰ কুমাৰী বাজপেয়ীয়ে তেতিয়াৰ মুখ্যমন্ত্ৰী শ্ৰী প্ৰফুল্ল কুমাৰ মহন্তলৈ বহুতবাৰ লিখিছিল কিন্তু তাৰ কোনো উত্তৰেই নিদিলে।

মাননীয় অধ্যক্ষ :— শ্ৰী পৃথিবী মাঝিয়ে কালি কব। এতিয়া সদন কালি ৰাতিপুৱা ৮'৩০ বজালৈ স্থগিত ৰখা হ'ল।

## ADJOURNMENT

The House then rose at 1-30 P. M. and stood adjourned till 8-30 A. M. on Friday the 2nd August, 1991.

**S. N. Deka**
Secretary
Assam Legislative Assembly.

DISPUR :
The 1st August, 1991.